
দে.কঁ.দু.ম অৰ্থনীতি বিভাগৰ
হাতেলিখা আলোচনী
যুগাগ্ৰগামী
প্ৰথম সংখ্যা
সম্পাদক:
প্ৰজ্বল প্ৰশান্ত তামুলী

দেৱগাঁও কমল দুৱৰা মহাবিদ্যালয়

অৰ্থনীতি বিজ্ঞান বিভাগ

হাতেলিখা বাৰ্ষিক আলোচনী

# " যুগাগ্ৰগামী "

প্ৰথম সাংখ্যা

সম্পাদক :

প্ৰত্যাশ প্ৰশান্ত তামুলী

# সম্পাদনা সমিতি

উপদেষ্টা : ড. সংগীতা হাজৰিকা
শ্ৰীযুত পাৰ্থজিৎ শইকীয়া
ড. দীপজ্যোতি গগৈ
ড. আচফিকা বেগম
ড. দিগন্ত মুদৈ

সম্পাদক : প্ৰত্যাশা প্ৰশান্ত তামুলী

সম্পাদনা সহযোগী : ভায়লীনা গগৈ

বেটুপাত : নৰোত্তম চাওতাল

অনুলেখন : ভায়লীনা গগৈ
দীপশিখা দত্ত
প্ৰিয়াক্ষী ভূঞা
কবিশ্মা মহন্ত
দেৱশ্ৰী মহন্ত
মানসী হাজৰিকা
হিমাংশু ৰঞ্জন শৰ্মা
সঞ্চিতা বৰা
ৰিংকুমণি দলে

অলংকৰণ : ভায়লীনা গগৈ
প্ৰিয়াক্ষী ভূঞা
কবিশ্মা মহন্ত
দেৱশ্ৰী মহন্ত
অভিশ্ৰুতি শইকীয়া
পায়েল ভূঞা
দেৱাংগ পল্লৱ হাজৰিকা
সঞ্চিতা বৰা
দীক্ষিতা শইকীয়া
পূজা বৰা

সদস্য : জ্ঞানজ্যোতি খাউণ্ড
বিপ্লৱ হাজৰিকা
চান ভট্টাচাৰ্য
উজ্জ্বল বৰা
পলাশ হাজৰিকা

# উছর্গা

দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাকালৰে পৰা আজি পৰ্যন্ত জড়িত হৈ থকা বৃহত্তৰ পৰিয়ালৰ প্ৰতিজনৰ হাতত 'যুগাগ্ৰগামী'ৰ প্ৰথম সংখ্যাটি তুলি দিলো।

# DERGAON KAMAL DOWERAH COLLEGE, DERGAON

P.O. Dergaon-785614, Dist. Golaghat, Assam

Estd. 1962

REACCREDITED BY NAAC WITH A+ GRADE (CGPA 3.37)

"COLLEGE WITH POTENTIAL FOR EXCELLENCE" (UGC : 2016-21)

Website : www.dkdcollege.ac.in
Email: principaldkdc@gmail.com


Ref. No : Date :


*From:*
*Dr. Ranjit Kumar Bordoloi, M.Sc., Ph.D.*
*Principal*


## শুভেচ্ছা বাণী

দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগে হাতে লিখা আলোচনী "যুগাগ্ৰগামী" প্ৰকাশৰ প্ৰস্তুতিৰ কথা জানিব পাৰি আনন্দিত হৈছোঁ। আলোচনীখনে নিসন্দেহে ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা, অভিজ্ঞতা, অনুভৱ, আহৃত জ্ঞান ইত্যাদি প্ৰকাশ কৰিবলৈ সুবিধা প্ৰদান কৰিব। আশাকৰো আলোচনীখনৰ লিখনিসমূহৰ মাজত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, বৌদ্ধিক, সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ ঘটাৰ লগতে তেওঁলোকৰ সামাজিক চেতনাৰো প্ৰতিফলন ঘটিব।

শেষত, ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উন্নতি কামনা কৰাৰ লগতে আলোচনী খনিৰ লগত জড়িত আটাইলৈকে শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

তাং: ১৫/০৯/২০২৫

অধ্যক্ষ,
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়,
দেৰগাঁও।

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংঘিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ..................................

তাৰিখ ঃ ১৫-০৯-২০২৫

# শুভেচ্ছা বাৰ্তা

গোলাঘাট জিলাৰ দেৰগাঁও অঞ্চলৰ উচ্চশিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগে এইবছৰৰ পৰা **যুগাগ্ৰগামী** নামৰ এখনি হাতেলিখা বাৰ্ষিক আলোচনী উলিয়াবলৈ দিহা কৰাৰ বতৰাত আহ্লাদিত হৈছোঁ। শিক্ষানুষ্ঠানৰ হাতেলিখা আলোচনী ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ কমাৰশালস্বৰূপ। **যুগাগ্ৰগামী**-য়ে বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশত সহায় কৰাৰ লগতে ভাবীকালৰ সাধকসকলক হাতত কলম তুলি ল'বলৈ প্ৰেৰণা যোগাব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

বসন্তকুমাৰ গোস্বামী

(ড° বসন্তকুমাৰ গোস্বামী)
*সভাপতি, অসম সাহিত্য সভা*

# শুভেচ্ছাবাণী

"যুগাগ্ৰগামী" শিৰোনামৰ হাতেলিখা আলোচনী-
-খনী অৰ্থনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ
সময়তকৈ আগত চিন্তা কৰি আগবঢ়াৰ এক অংগীকাৰ।
আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশৰ
গঠনমূলক চিন্তাৰ বাহক তথা তেওঁলোকৰ
বৌদ্ধিক বিকাশৰ এক শক্তিশালী মাধ্যম
হৈ চিৰপ্ৰবাহমান হৈ থকাৰ কামনাৰে —

(ড° সংগীতা হাজৰিকা)
মুৰব্বী অধ্যাপিকা
অৰ্থনীতি বিজ্ঞান বিভাগ

# বিষয়সূচী


- সম্পাদকীয়
- বিশেষ নিবন্ধ :
  - Artificial Intelligence and the young generation
    Dr. Dipjyoti Gogoi
- অৰ্থনীতি বিশেষ :
  - Blame Game for Balanced Trade: The U.S.A and India's Shared Struggle – Himangshu Ranjan Sarmah
  - ভাৰতত মুদ্ৰাস্ফীতি : এক স্থায়ী প্ৰত্যাহ্বান
    – পাৰ্থনা বৰা
  - দৰিদ্ৰতা : এক সামাজিক বিৰোধ
    – ললিতা দত্ত
- গল্প
  - জীৱন : ভাগ্য নে দুৰ্ভাগ্য ? : পদুমী গগৈ
  - আবেগৰ অনুভূতি : দেৱাংগ পল্লৱ হাজৰিকা
- শিক্ষা
  - National Education Policy 2020: A New Era in Indian Education
    – Udayjyoti Dutta

- অনলাইন শিক্ষাৰ ভৱিষ্যৎ: ধাৰণা, প্ৰত্যাহ্বান আৰু সুযোগ – পূজা বৰা

- ক্ৰীড়া
  - Importance of Sports in Student's Life
    – Pinku Kalita
  - অৰ্থনীতি বিভাগ আৰু ক্ৰীড়া
    – উজ্জ্বল নেওগ

- কবিতা
  - দ্বন্দ্বগত: ~ প্ৰত্যাশা প্ৰশান্ত তামুলী
  - তোমাৰ বাবে ~ অস্মিতা বৰা
  - If money could talk ~ Priyami Bora
  - সপোন ~ প্ৰিয়াঙ্কী বৰুৱা
  - বিচনা ~ জ্ঞানজ্যোতি মাউত
  - জীৱনৰ গান ~ দেৱশ্ৰী ভূঞা
  - বহাগৰ বাণী ~ শ্যামন্তিকা বৰা
  - আঁহতৰ নগৰী ~ কংকনা দত্ত
  - I am enough ~ Dhriti Bharali
  - নাৰী ~ অভিশ্ৰুতি শইকীয়া
  - সপোনৰ বাট ~ বিদ্যুৎময়ী বৰা
  - A Simple Life ~ Brishti Barhai
  - Eternal ~ Dipshikha Hazarika

- **বিবিধ :**
  - Self Confidence ~ Rinkumoni Doley
  - The Effectiveness of Positive Thinking : Unlocking a happier life - Trishnamoyee Bora
  - Tick-Tock Economics : Life lessons from the clock ~ Annesha Baruah
  - আঁচিপাত ~ ভাগ্যলীনা গগৈ
  - বৰ্তমান সময়ত ভৱিষ্যৎ প্ৰজন্মৰ জীৱনত মোবাইল ফোনৰ অৱিহণা ~ নিকী বৰা
  - জীৱনৰ এক অনামী সম্পৰ্ক বন্ধুত্ব ~ দিপক শইকীয়া
  - ভিন ভিন দেশ আৰু তাৰ মুদ্ৰাৰ নাম ~ প্ৰেৰণা দাস

- **নীলা খামৰ চিঠি**
  - প্ৰিয়াক্ষী বৰা
  - দীপশিখা দত্ত
  - চান ভট্টাচাৰ্য
  - নিকী বৰা

- **আলোকময় স্মৃতি**

# সম্পাদকীয়

"সাহিত্যই জীৱনৰ অমিয়া"
— নীলমণি ফুকন

সময়, সমাজ আৰু সংস্কৃতিৰ দস্তাবেজেই হয়তো সাহিত্য। য'ত প্ৰকাশ পায় বহুজনৰ সপোন, বহুজনৰ কল্পনা আৰু বহুজনৰ দায়বদ্ধতা। প্ৰকৃতাৰ্থত ভাল সাহিত্যৰ মাজত অন্তৰ্নিহিত হৈ থাকে সাহিত্যিকৰ সপোন, সাধনা আৰু সমৰ্পণৰ ধাৰণা। যান্ত্ৰণাকাতৰ প্ৰেমিকৰ পৰা আৰম্ভ কৰি মূল্যবৃদ্ধিৰ মৰ্বি মাৰতো কঁকাল বেঁকা নোহোৱা সৰু পৰিয়াল সুখী পৰিয়ালৰ গৰাকীজনলৈকে, পুৱা ন বজাৰ পৰা সন্ধিয়া পাঁচ বজালৈকে অৰ্থ আহৰণৰ বাবে অহৰহ চেষ্টা কৰা যান্ত্ৰিক পুতলাৰূপী মানুহজনৰ পৰা উচ্চ শিক্ষিত অথচ প্ৰতিযোগিতামূলক বজাৰত নিয়োগৰ সুবিধা লাভ নকৰি নিবনুৱা উপাধি লাভ কৰা নিজৰ বজাৰ মূল্য শূন্যৰ সম বুলি ভবা জনলৈকে, স্বাধীনতাৰ শেষ খোজ হিচাপে বন্দুক তুলি লোৱা জনৰ পৰা কলমকে শেষ অস্ত্ৰ বুলি জ্ঞান কৰা জনলৈকে সকলোৱেই অন্ততঃ এবাৰ সাহিত্যৰ প্ৰেমত পৰিছে আৰু সাহিত্যৰ প্ৰেমত সৰ্বহাৰা হোৱা কৱিয়ে লিখিছে — "তুমিতো জানাই এই কবিৰ একো নাই, এটায়ে মাথো কাগজ তাকো ছিগো ছিগো চিলাই। প্ৰেম নিশ্চয় এনেকুৱাই আৱৰণ খুলি হৃদয় ডুবায়।"

সাহিত্যৰো আছে অনেক শক্তি, আছে অনেক গৌৰৱ। যি গৌৰৱত সূৰ্যমুখী হৈ ফুলে

দেশৰ মানৱ সম্পদ। ইয়াৰ উদাহৰণো অনেক। পৰাধীন ভাৰতক স্বাধীনতাৰ বাটে আগুৱাবলৈ জ্যোতি, বিষ্ণু, অম্বিকায়ে সৃষ্টি কৰা সাহিত্যৰাজিৰপৰা আৰম্ভ কৰি স্বাধীনোত্তৰ ভাৰতত মাজে সময়ে উকমুকুৱা স্বৈৰতান্ত্ৰিক ব্যৱহাৰ প্ৰতিবাদত আধুনিক সাহিত্যিকে ৰচনা কৰা সাহিত্যলৈকে তথা বহু প্ৰতিভা বা প্ৰতিশ্ৰুতিৰে অসমীয়াৰ আস্থা আৰু বিশ্বাসক সাৱটি কৰি গাদী দখল কৰাসকলৰ দায়িত্বহীনতা আৰু দুৰ্নীতিপৰায়ণতাক বিৰোধিতা কৰি লিখা "মোৰ আইৰ দুখনি মোলা হাতত সোণৰ খাৰু পিন্ধাম বুলি কৈ লোৰ শিকলি পিন্ধালি কিয়"ৰ দৰে ৰচনাবোৰে অসমীয়া লোকক সদায়ে উদ্বুদ্ধ কৰি আহিছে।

সময়, পৰিবেশ আৰু পৰিস্থিতি – কাৰোলৈকে যেন ভ্ৰুক্ষেপ নকৰে সাহিত্যই। ই যেন এখনি চিৰপ্ৰবাহিত স্ৰোতস্বিনী, যিয়ে কেৱল ঠায়ে ঠায়ে নাম সলায়। যিদৰে সাহিত্যই নিজৰ ভাৱ সলায়। উদাহৰণস্বৰূপে; আকাশত ঘূৰি থকা বা জিলিকি থকা জোনটোৱে কোনো দুৰ্দান্ত প্ৰেমিকৰ সাহিত্যত প্ৰেমিকাৰ মুখৰ অৱয়বৰ ৰূপ লোৱাৰ পৰিৱৰ্তে কোনো ভোকাতুৰৰ কল্পনাত এটা ৰুটিৰ ৰূপ পৰিগ্ৰহণ কৰিছে।

চৰ্চাৰ অবিহনে সাহিত্যৰ এই নৈখনি অদ্ভৱলৈ বোৱাই নিয়াটো অসম্ভৱ আৰু ছাত্ৰাৱস্থাত সাহিত্য চৰ্চাৰ উৎকৃষ্ট মঞ্চ হ'ল 'প্ৰাচীৰ পত্ৰিকা, বাৰ্ষিক মুখপত্ৰ, হাতে লিখা আলোচনী আদি। সেয়েহে দ. ক. চু. ম অৰ্থনীতি বিজ্ঞান বিভাগৰ এই প্ৰচেষ্টা 'যুগাগ্ৰগামী'।

'যুগাগ্ৰগামী' অৰ্থাৎ যুগ আৰু অগ্ৰগামী। নামেই অৰ্থ বহন কৰিছে আলোচনীখনৰ। যুগৰ সতে অগ্ৰগামী চিন্তাৰ ফিৰিঙতি 'যুগাগ্ৰগামী'। যি ফিৰিঙতিয়ে হয়তো অদূৰ ভৱিষ্যতে প্ৰজ্বলিত কৰিব জ্ঞানৰ বন্তি।

এই সুযোগতে মই অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি, শ্ৰীযুত বসন্ত কুমাৰ গোস্বামী আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁলোকৰ শুভেচ্ছা বাণীয়ে আমাক বাৰুকৈয়ে উৎসাহিত কৰিলে। তদুপৰি বিভাগৰ মুৰব্বী অধ্যাপিকাকে প্ৰমুখ্য কৰি সন্মানীয় শিক্ষাগুৰু সকললৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেওঁলোকৰ উৎসাহ উদ্দীপনাৰে নহ'লে যুগাগ্ৰগামী প্ৰকাশ কৰাটো জটিল হৈ পৰিলহেঁতেন। লগতে ইমান কম সময়ৰ ভিতৰতে যুগাগ্ৰগামী প্ৰস্তুত কৰি দিওঁতা মূল সেনানী অৰ্থাৎ সম্পাদনা সমিতিৰ আটাইলৈকে অন্তৰৰ নিভৃতম কোণৰপৰা ধন্যবাদ জ্ঞাপন কৰিলো। বিশেষতঃ লেখা প্ৰদান কৰা যুৱ লেখক-লেখিকা তথা প্ৰতিটো কামতে সহযোগিতা আগবঢ়োৱা প্ৰতিজন সুহৃদৰ শলাগ ল'লো।

প্ৰান্তত নতুনৰ কামনা, সুন্দৰৰ বাসনা। আমাৰ অনুজ সকলৰ হাতত যুগাগ্ৰগামীৰ ধাৰাটো সুৰক্ষিত হোৱাৰ কামনাৰে —

"আকৌ নতুন প্ৰভাত হ'ব
দীপ্ত সূৰ্য জিলিকিব
সেই ৰশ্মিয়ে নিঠুৰ যুগক
নতুন গতি আনি দিব।"

অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি —

প্ৰত্যাশা প্ৰশান্ত জয়ন্তী
সম্পাদক
যুগাগ্ৰগামী

# Artificial Intelligence and the Young Generation.

~ Dr Dip Jyoti Gogoi
Assistant professor
Dept. of Economics

Artificial Intelligence (AI) is one of the most revolutionary developments of the 21st Century and the young generation is both its greatest beneficiary and its most active participant. A I refers to the ability of machines to perform tasks that normally require human intelligence, such as problem - solving, decision making and outcome of learning. From voice assistants like Siri and Alexa to personalized recommendations on Youtube and Netflix, A I is already a part of the daily life of young people.

For students, A I offers new opportunities in education through

Smart learning apps, online tutoring and instant translation tools. It helps them access knowledge more efficiently and encourages creativity with AI-driven art, music and writing platforms. In the professional world, young people entering careers will need to be well-prepared as AI is transforming industries like healthcare, finance, transportation and entertainment.

However the young generation must also be cautious. Over dependence on AI can reduce critical thinking and human interaction. Issues such as job replacement, privacy concerns and ethical use of AI must be understood.

In conclusion, AI is both a challenge and an opportunity. Its responsible use by the young generation is essential to balance progress with ethics, privacy and human values.

# Blame Game for Balanced Trade : The USA and India's Shared Struggle.

~ Himangshu Ranjan Sarmah.
B.A. 5th Semester.

Both the US and India have suffered from an unfair global trading system. This can be traced back to the fundamental economic flaw known as 'Kalecki's Paradox of Costs', where an economy's effort to boost profits by suppressing wages ultimately harming itself by reducing overall demand.

One way, countries sometimes export their domestic problems by running a trade surplus, a "beggar-my-neighbour" policy. China is a key example, having deliberately held down wages to become a manufacturing hub and run persistent surpluses. This strategy creates a "race to the bottom" that eats away at employment in other economies like US & India.

At the 1944 Bretton Woods Conference, JM Keynes proposed a trade union to penalize countries with persistant surpluses. This idea was never adopted, largely because the US at the time ran a surplus and wouldn't agree to a system that would penalize it.

Today, while the US & India face massive deficits, their response has diverged. The US, under Trump's administration, opted for an isolationist policy of tariffs and unilateral action, alienating allies and ceding global influence to china. Meanwhile, India has its own struggles within the system, trying to balance its trade while facing pressure from nations running surpluses.

The US's choice to abandon a collaborative approach has done nothing to fix the fundamental flaws of the global trade system, leaving itself and countries like India to grapple with persistant trade imbalances.

# Economic Condition Of Educated Youth in Assam.

~ JonJonalee Borah
1st sem

The youth are the foundation of a nation's progress. They are filled with dreams, energy, and talent, and they have the power to shape the future of society. Education is consid-ered the key to success, that every young person hopes by receiving good education, he/she will be able to secure a better job and lead a comfortable life. But in Assam, the situation is not always the same. Although many youths are educated, their economic condition is often weak because of unemploy-ment, underemployment, lack of industries and other social problems.

## Present Situation of Educated Youth in Assam:

In Assam, every year thousands of students complete their education in schools, colleges, and universities. Some even go outside the state for higher education and return with high qualifications. But when they try to find suitable jobs, they face disappointment. The number of employment opportunities especially in govt. sectors is very limited compared to the number of applicants.

Government jobs are still the first choise of most educated youth because they provide stability and respect with job security. But, since the vacancies are very less, the majority of students cannot get them. Private jobs are also insufficient due to the lack of industries in Assam and less business hubs in comparison to other developed states in India.

As a result, educated youths either remain unemployed or work in Jobs below their level of education.

## Problems faced by Educated Youth :

One of the biggest problems faced by educated youth in Assam is unemployment. Many youths remain jobless even after completing graduation, post-graduation or professional courses. This creates frustration and economic stress.

Another major issue is underemployment. Some youths get jobs, but the salary is too low and doesn't match their qualification. For e.g, a postgraduate may have to work in a small private school or office with little pay. This is known as underemployment, and it lowers the dignity of educated people

The economic condition of educated youth is also affected by the lack of industrial development in Assam. We know, Assam is rich in natural resources, but industrial development is poor. The lack of factories, IT companies and big businesses has limited the chances of employm-ent for educated youth.

Migration, Financial issues and social pressure are major issues here. Many educated youths migrate to other states or other countries in search of better job opportunities or better living standards. This creates a problem called "Brain Drain". Many educated youths face pressure from their families to earn money quickly, when they fail to do so, they fall into helplessness and depression. This also affects their mental health.

Solutions for Better Economic Opportunities for Assam's Educated Youth :

To improve the economic condition of educated youth in Assam, several steps can be taken.

First, skill development programme should be increased so that young people can gain practical training in computers, tourism, agriculture and other useful fields. The government and private sectors needs to create more job opportunities in areas like education, healthcare, IT and industries. At the same time young entrepreneurs should be supported with loans, training and guidance to start small businesses in handloom, food, tourism and digital services. Modern technology should be integrated with farming, fishery and tea industry so that agriculture can provide better income. Digital work like freelancing, online teaching, and digital marketing should also be promoted. Government schemes such as Skill India, Make in India, and state youth programmes should be implemented.

These all help the educated youth to earn better and contribute to development of Assam.

Solving the economic problems of educated youth is important for Assam's future. If proper steps are taken, the youth can turn into a strong force for development.

# ভাৰতত মুদ্ৰাস্ফীতি : এক স্থায়ী প্ৰত্যাহ্বান

- পাৰ্চনা বৰা
প্ৰথম ষণ্মাসিক

ভাৰতত মুদ্ৰাস্ফীতি সমসু নীতি নিৰ্ধাৰক, ব্যৱসায়ী আৰু পৰিয়ালৰ বাবে কেন্দ্ৰীয় চিন্তাৰ বিষয় হৈ আহিছে, কিয়নো ই জীৱন-যাপনৰ ব্যয় আৰু অৰ্থনৈতিক বৃদ্ধিৰ গতিত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। সামগ্ৰী আৰু সেৱাৰ সাধাৰণ মূল্যৰ স্তৰৰ স্থায়ী বৃদ্ধি বুলি সংজ্ঞায়িত কৰা হৈছে, মুদ্ৰাস্ফীতিয়ে সমাজৰ প্ৰতিটো শ্ৰেণীকে প্ৰভাৱিত কৰে, খাদ্য আৰু ইন্ধনৰ বৃদ্ধিৰ মূল্যৰ সৈতে যুঁজি থকা আটাইতকৈ দৰিদ্ৰ পৰিয়ালৰ পৰা আৰম্ভ কৰি উচ্চ গৃহ আৰু শিক্ষাৰ খৰচৰ সৈতে মোকাবিলা কৰা মধ্যবিত্ত শ্ৰেণীলৈকে। ভাৰতত মুদ্ৰাস্ফীতি প্ৰায়ে খাদ্যৰ মূল্য, ইন্ধনৰ ব্যয়, যোগান শৃংখলৰ বিঘিনি আৰু বিশ্ব অৰ্থনৈতিক ধাৰা আদিৰ দ্বাৰা পৰিচালিত হয়। যাৰ ফলত ই ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় দুয়োটাৰে বাবে প্ৰত্যাহ্বান। মধ্যমীয়া মুদ্ৰাস্ফীতিয়ে বিনিয়োগ আৰু ব্যয়ক উৎসাহিত কৰিব পাৰে যদিও উচ্চ মুদ্ৰাস্ফীতিৰ ফলত ধনৰ ক্ৰয় ক্ষমতা হ্ৰাস পায়, সঞ্চয়ৰ ক্ষতি হয় আৰু বৈষম্য বহুল হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংকে সুদৰ হাৰ সামঞ্জস্য কৰা আৰু ধনৰ যোগান পৰিচালনাৰ দৰে মুদ্ৰা নীতিৰ জৰিয়তে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ মূল ভূমিকা পালন কৰে। আনহাতে চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ সুস্থিৰ কৰিবলৈ ৰাজসাহায্য, আমদানি, মূল্য নিয়ন্ত্ৰণৰ

জৰিয়তে হস্তক্ষেপ কৰে। শেহতীয়াকৈ ৰাছিয়া-ইউক্ৰেনৰ সংঘাত আৰু খাৰুৱা তেলৰ মূল্যবৃদ্ধিৰ দৰে বিশ্বব্যাপী পৰিঘটনাই ভাৰতৰ মুদ্ৰাস্ফীতিৰ ওপৰত আৰু অধিক হেঁচা বৃদ্ধি কৰি আমদানিৰ ওপৰত নিৰ্ভৰশীল ক্ৰমবৰ্ধমান অৰ্থনীতিৰ দুৰ্বলতাক উজ্জ্বল কৰি তুলিছে। সেয়েহে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ বাবে বৃদ্ধিৰ সমৰ্থন আৰু গ্ৰাহকক সুৰক্ষা দিয়াৰ মাজত এক সুক্ষ্ম ভাৰসাম্যৰ প্ৰয়োজন, যাৰ ফলত ই ভাৰতৰ অৰ্থনৈতিক স্থিতিশীলতা গঢ় দিয়া, অন্যতম জটিল বিষয়।

# দৰিদ্ৰতা : এক সামাজিক বিৰোধ

শ্ৰী লভিতা দত্ত
প্ৰথম ষন্মাসিক

"দৰিদ্ৰতা কেৱল টকাৰ অভাৱে নহয়,
ই সম্ভাৱনাৰো অভাৱ।"

— নেলচন মেণ্ডেলা।

দৰিদ্ৰতা কেৱল অভাৱৰ নাম নহয়, এয়া এক গভীৰ সামাজিক সমস্যা। আহাৰ বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্য- এই বুনিয়াদী প্ৰয়োজনবোৰ পূৰণ কৰিব নোৱাৰা অৱস্থাই দৰিদ্ৰতাৰ মূল ৰূপ। কিন্তু এই সমস্যাটোৰ মূলত আছে বহু গভীৰ সংকট- অসাম্য, অশিক্ষা, নিবনুৱা আৰু কেতিয়াবা ৰাজনৈতিক অৱনতি। দৰিদ্ৰতা সমাজৰ বিকাশত এটা বৃহৎ বাধা। যেতিয়া সমাজৰ এটা বৃহৎ অংশ দৰিদ্ৰতাৰ চক্ৰত বন্দী হৈ থাকে, তেতিয়া জাতিৰ সামগ্ৰিক অগ্ৰগতি সম্ভৱ নহয়। দৰিদ্ৰতাৰ ফলত জন্ম হয় বিভিন্ন অপৰাধ, সামাজিক বিভাজন আৰু এক গভীৰ বিৰক্তি যিয়ে সমাজত এক অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে।

এই সমস্যাৰ সমাধান কেৱল চৰকাৰী আঁচনিৰে নহয়, সমাজৰ প্ৰতিজন ব্যক্তিৰ সচেতনতাৰ প্ৰয়োজন। অশিক্ষাৰ বিৰুদ্ধে সংগ্ৰাম, নিবনুৱা হ্ৰাস আৰু সকলোৰে বাবে এক ন্যায়সংগত সমাজ গঢ়ি তুলিব লাগে। দৰিদ্ৰতা কোনো এজন ব্যক্তিৰ ব্যক্তিগত ব্যৰ্থতা নহয়, ই এক সামাজিক ব্যাধি। সমাজৰ প্ৰতিজন ব্যক্তিয়ে যদি সকলোৰে হাতত হাত মিলাই সমাজখনৰ বাবে আগবাঢ়ি যায়, তেতিয়া নিশ্চয় এমন দৰিদ্ৰতা-শূন্য সমাজ গঢ়ি উঠিব।

দৰিদ্ৰতাৰ পৰা মুক্তি মানেই মাথোঁ ধনবান হোৱা নহয়। ই মানৱিক গৌৰৱৰ পুনঃ স্থাপন।

# জীৱন

## ভাগ্য নে দুৰ্ভাগ্য !

~ পাপুমী গগৈ
তৃতীয় ষাণ্মাসিক

: তুমি চাগে বহুত সুখী ন? তোমাৰটো সকলো আছে, চৰকাৰী চাকৰি, বিখ্যাত নাম আৰু তোমাৰ ঘৰখন!

কোনোবাই সুধিছিল আজি মোক, চহৰৰ বিখ্যাত লেখিকা হিচাপে চহৰখনৰ এখন নামজ্বলা মহাবিদ্যালয়ত ভাষণ দি উভতি অহাৰ পথত। প্ৰশ্নটোৱে যেন কোনোবা খিনিত মোক বিষাদগ্ৰস্ত কৰি গৈছিল। সেই সময়ত উত্তৰটো দিব নোৱাৰিলো। মাত্ৰ এটি হাঁহিৰে সম্ভাষণ জনাইছিলো।

এতিয়া কথাবোৰে আমনি কৰিছেহি, গাড়ীৰ চিটত বহি ভাৱিছো কথাবোৰ..আকৌ এবাৰ। হয়... আছে, সকলো আছে মোৰ; মাহেকত এটা মোটা দৰমহা পোৱা চৰকাৰী চাকৰি, প্ৰয়োজনীয় সামগ্ৰীসমূহ মনৰ ইচ্ছা অনুসৰি লব পাৰো; জীৱনত ভাঙি পৰিলেই সাহস দি থিয় দিব পৰাকৈ আছে মনৰ মানুহজনৰ ঘৰখন আৰু মোৰ কলিজাটো, পম; সমাজত এগৰাকী ভাল লেখিকা হিচাপে আছে এটা সুনাম; তথাপি কোনোবাখিনিত শূণ্য জীৱনটো, জীৱন নামৰ শুভ্ৰ কিতাপখনত নাই এটা ভাল লগা পৃষ্ঠা, আছে কেৱল ভাগ্যই দিয়া শূণ্যতা। সকলো আছে মোৰ, তথাপি নিশাৰ অন্ধকাৰত ডিঙিলৈকে উজাই অহা কান্দোনখিনি, দাঁতেৰে ওঁঠকেইটাত জোৰকৈ

চেপি মাত্ৰ হাঁহি থাকো আপোন মানুহবোৰৰ হাঁহিৰ কাৰণ হৈ, জী থাকো এজোপা সেউজ গছ হৈ। এই আপোন মানুহখিনিৰ আদৰ, পাঠক সকলৰ অজস্ৰ মৰম আৰু সফলতাৰে ভৰা জীৱনটো থমকি যায়। এই শুভ্ৰ আজঘোৰত, এই উকা কপালখনত আজি প্ৰায় চাৰিবছৰ হ'ল তেওঁ নোহোৱা। পম এবছৰ হৈছিলহে তেওঁ আমাক এৰি গুচি গৈছিল বহুদূৰলৈ, দায়িত্ব আৰু মৰম, আপোন মানুহবোৰে ঢুকি নোপোৱাকৈ। নাই নাই... তেওঁৰ মৃত্যুত কোনো আক্ষেপ নাই, কাৰণ কোনোবাই কৈছিল, দেশ ৰক্ষাৰ দায়িত্বত থাকোতে হোৱা মৃত্যু, মৃত্যু নহয়; সেই মৃত্যু বোলে পাৰিজাত, যত দেৱতাৰ আশীৰ্বাদ থাকে। সান্ত্বনা দিছো মনক, তথাপি সকলো বুজনি অস্বীকাৰ কৰি মনলৈ নামি আহে মাত্ৰ শূন্যতা। মনলৈ প্ৰশ্ন আহে, পাৰিম জানো গঢ়িব পমৰ জীৱনটো, হয়তো পাৰিম কাৰণ মোক ভাগৰি পৰিলেই সাহস দিব পৰাকৈ আছে তেওঁৰ ঘৰখন কিন্তু দেউতাকৰ মৰম, পাৰিম জানো দেউতাকৰ মৰমৰ দোলাৰে আঁচাই ৰাখিবলৈ মোৰ কণমানিটোৰ জীৱন। 'সকলোৰে দেতা আছে, মোৰ দেতা ক'ত মা' তাৰ সেই খোকাখোকি মাতটোৰ প্ৰশ্নটোৱে মোক কৰি পেলায় নিশ্চুপ, নিতাল। মোৰ দুৰ্ভাগ্যই তেওঁৰ মৃত্যু আতি অনাৰ দৰে সমাজৰ নিষ্ঠুৰ কটাক্ষবোৰত ভাগৰি পৰো কেতিয়াবা, তাৰপাছতেই মনলৈ আহে মোৰ ওপৰত থকা মোৰ ঘৰখন, তেওঁৰ ঘৰখন আৰু পমৰ কথা, মুহূৰ্ততে বিষবোৰ, ভাৱনাবোৰ জোকাৰি স্থিৰ হ'বলৈ যত্ন কৰো। সমাজৰ চিন্তা বোৰ ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে বাৰু.... মোৰ জন্মৰ পাছতেই মাৰ মৃত্যু হোৱা বাবেই জানো মই অলক্ষী, কুলক্ষণী আৰু সেই দুৰ্ভাগ্যই জানো তেওঁৰ মৃত্যুৰ কাৰণ হ'ব পাৰে।

ওহ্... আৰু ভাবিব নোৱাৰি, উজাই অহা চকুলো
আমাৰি চকুহাল মুদি দিছো যদিও চকুৰ কোণটো সেমেকিছে,
গাড়ীত বাজি ৰৈছে এটি গান, জীৱনটো চলি গৈছে এনেকৈয়ে....

ইয়াতেই হেৰাল কেনিনো মোৰ
চোতালৰে জোনাক...
ঠাইতেই অচিনা তমসাই
আগুছিলেহি মোক....!

# আবেগৰ অনুভূতি

~দেৱাংগ পল্লৱ হাজৰিকা
পঞ্চম ষাণ্মাসিক

নিস্তব্ধ! কেৱল আমো নিস্তব্ধ!

বহু সময়েই হ'ল দুয়োপাৰে দুয়ো বহি থকা। ঘূৰণীয়া টেবুল খনৰ দুয়োপাৰে দুই যেন মূৰ্তিহে বহি আছে। দুয়োৰে দুখন হাতত এখনকৈ কিতাপ। হয়তো এটাইয়ো নাজানে যে তেওঁলোকৰ হাতত থকা কিতাপখনৰ বিষয়বস্তু কি? হয়তো নামটোও নাজানে চাগে। তেওঁলোকৰ চাৰিওফালে বহু ল'ৰা-ছোৱালীয়ে নিজৰ মন পছন্দৰ কিতাপখনৰ সৈতে পঢ়াত বহিছে, কোনোৱে নিজৰ ক্লাছৰ সময় হোৱা বাবে উঠি গৈছে আৰু আন কোনো আকৌ হাতত কিতাপ লৈ প্ৰিয়জনৰ লগত মনৰ ভাব আদান-প্ৰদানত ব্যস্ত। এইবোৰ যেন সিহঁতৰ অগোচৰ। সিহঁত যেন দুই জীৱন্ত মূৰ্তি, যি কিতাপৰ ফাঁকেৰে সন্মুখৰ জনক লক্ষ্য কৰিছে। আকৌ মনত ইজনে সিজনৰ চকুত ধৰা পৰাৰ ভয়। মনৰ মাজত দুয়োৰে বাৰ্তালাপৰ উন্মাদ, যাৰ লগত মিশ্ৰিত হৈ আছিল তীক্ষ্ণ স্মং আৰু এটি মিঠা হাঁহি।

এয়াই হ'ল দেঃ কঃ দুঃ মৰ বিখ্যাত নবেন শৰ্মা স্মৃতি পুথিভঁৰালৰ মাজমজিয়াত থকা টেবুলখনত বহি থকা সমীৰ আৰু নয়নমণিৰ কাহিনী। কিন্তু এই অৱস্থাৰ আঁৰৰ কাৰণটো কি কোনোৱেও নাজানে। সমীৰ আৰু নয়নমণি হ'ল স্নাতক প্ৰথম মহলাৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ দুজন অতি দক্ষতা-সম্পন্ন ছাত্ৰ-ছাত্ৰী। দুয়ো বহু ভাল বন্ধু। এই বন্ধুত্ব তেওঁলোকৰ একাদশ শ্ৰেণীতে গঢ়ি উঠিছিল। লাহে লাহে তেওঁলোকৰ বন্ধুত্ব গভীৰ হ'ল এনে যে ৰাতি হোৱাটো

এদ্মত জলপ চুপতি নামাবিলে এটাবো প্ৰলেই নালাগে। কথা পাতে যেন দুয়ো দেশমনকে অন্নাব। কিন্তু সেই বন্ধুত্ব হোৱাটছ্এপৰ মেছেজগিতাত যিমান গভীৰ অনুমত কিন্তু কথা পাতা দূৰৰে কথা, দেখা-দেখি হ'লেই শৰীৰ কম্পিত হয়। আচলতে এই কথাটোও আকৌ স্নিহতে মেছেজতকে পাতে আৰু দুয়ো প্ৰাণ খুলি হাঁহে।

হঠাৎ অমীৰৰ মোবাইলত বাজি উঠিল পাপন দাৰ এটি সুন্দৰ গীত,

“ তোমাৰ কথা ভাবিলেই জানা
জোনাক উপচি পৰে ॥”

গীতটো কানত পৰাৰ লগে লগে দুয়ো যেন সপোনৰ পৃথিৱীৰপৰা চেতনা পালে। নয়নমণিয়ে মুখত এটি মিচিকীয়া লাজুকী হাঁহিৰে কিতাপখন তাতেই এৰি ওলাই গুচি গ'ল। সেই হাঁহিটিৰে অমীৰৰ অন্তৰত যেন এজাক হিম চেঁচা বতাহে কোবাই গ'ল আৰু সি ৰিচিভ কৰিব লোৱা ফোনটো হাতত্তে বাজি বাজি কাটি গ'ল আৰু দ্বিতীয়বাৰ বাজি উঠিল। এইবাৰ সি ৰিচিভ কৰি ক'লে — “ অ' উজ্জ্বল মই লাইব্ৰেৰীত, পাঁইৰিছিলোকে গৈছো ৰ'বা।” অমীৰে বহু ভাল গান গায়, দৰাচলতে তাৰ সপোনেই হ'ল গান। কাইলৈ অনুষ্ঠিত হ'ব লগীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ মিউজিকৰ লগত প্ৰেক্টিছৰ কথা পাহৰিয়েই গৈছিল। ফোনত শুনি সি লোনেই ঢাপলি মেলিলে।

অমীৰ আৰু নয়নমণিৰ হোৱাটছ্এপৰ মেছেজটো যে বহুদিন কথা হোৱা নাই এয়া নতুন নহয়। মাজে মাজে হৈয়ে থাকে। আকৌ এটা বাহানা লৈ দুয়ো

পুনৰ আৰম্ভ হয়। ৰাতিৰ পঢ়াৰ আগে আগে মেচেঞ্জত চুপতি মাৰিব। এই অংশে অভিমানবোৰৰ উমান ইনষ্টাগ্ৰামৰ ইষ্টৰিত লাইক নকৰা আৰু যোৱাছে এপৰ ষ্টেটাছ নোচেৱাৰ পৰাই পোৱা যায়।

এই যে সময়ে সময়ে দুয়োৰে মাজত কিছুদিনৰ বাবে নিস্তব্ধতা আহে, এয়া যেন এইবাৰ বহু দীৰ্ঘদিনীয়া হব পাৰে, যাৰ প্ৰতি হয়তো এটাৰো দৃষ্টিক্ষেপেই নাছিল। মাঘ বিহুৰ উৰুকাৰ দিন, কথলৈ গ'লে উৰুকাৰ বজাৰ,। অমীৰ দেউতাকৰ লগত ওলাই গৈছিল বজাৰলৈ বুলি। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস, এমন বিপৰীত দিশৰপৰা এখন ট্ৰাকে মহতিয়াই লৈ গ'ল বাস্তাটোৰ সিপাৰে স্কুটিত আহি থকা দুগৰাকী মুৰতীক। দুৰ্ঘটনাৰ পিছত ট্ৰাক মনৰ চালকজন পলাল। ঘটনাস্থলীত মানুহ গোট খালে। কোনোৱে এম্বুলেন্সক খবৰ দিলে, কোনো আকৌ ভিডিঅ' ফটো কৰাত ব্যস্ত, আন কোনোৱে আকৌ আলোচনা কৰাত ব্যস্ত হ'ল যে দৰাচলতে দোষ কাৰ? দেউতাকে অমীৰক ক'লে, "ব'লচোন কি হৈছে চাই আহোগে। অমীৰে ক'লে – "মই নাযাওঁ তুমি যোৱা।" আচলতে অমীৰৰ অন্তৰে এবাৰ মেলি থকোঁতে আঘাত পাই বহুত তেজ ওলাইছিল আৰু তেতিয়াৰপৰা তাৰ তেজ দেখিলে ভয় খুৱাই। আহোঁতে দেউতাকে ঘটনাটোৰ বিষয়ে কৈ আহিছিল যদিও ইমান গুৰুত্ব দিয়া নাছিল।

এনেকৈ সময় গৈ থাকিল। অমীৰ পুনৰ কলেজ আহিব ধৰিলে। কিন্তু তাৰ কলেজ অহাটো যেন এক কৰ্তব্য বাবেহে কৰি আছে। কাৰণ তাৰ চকুত নপৰা হ'ল সেই মিচিকিয়া হাঁহিৰে সৈতে কাজল অলা নীলা চকুযুৰি। দুই একক অৱশ্যে সি সুধিলেও কিন্তু নাজানে

বুলি ক'লে। আনকি সি নিজৰ 'ইগ' ভাৱধাৰা আঁতৰাই মেচেজো কৰিছিল। কিন্তু সি উত্তৰ নাপালে। কিন্তু এদিন সি তাইৰ প্ৰিয় বান্ধৱী কবিতাৰ পৰা জানিব পাৰিলে যে তাইৰ হেনো এটা মটৰ-দুৰ্ঘটনা হৈছে মাঘ বিহুৰ উৰুকাৰ দিনা জুবালগুৰিত আৰু এতিয়া তাই নিজৰ Short time memory হেৰুৱাইছে। অমীবৰ যেন মূৰত সৰগ খনহে ভাগি পৰিল। তাৰ মনত বহু প্ৰশ্নই ক্ৰিয়া কৰিলে। তাৰ মানে সেইদিনাৰ দুৰ্ঘটনাৰ যুৱতী গৰাকীৰ ভিতৰত এগৰাকী নয়নমণি...। নাই এইটো সি কি কাম কৰিলে, সেই ভীষণ যন্ত্ৰণাৰ সময়ত নয়নমণিক মাজ ৰাস্তাত এৰি সি উৰুকাৰ ভোজ-ভাত খালে; বিহু পাতিলে, সি ইমান নিষ্ঠুৰ পাপী কেনেকৈ হ'ব পাৰে। সি তৎক্ষণাত নয়নমণিৰ ঘৰ পালেগৈ। কিন্তু সেইতে ওলমি আছিল এটা মস্ত তলা। ওচৰ-চুবুৰীয়াৰ পৰা জানিব পাৰিলে তেওঁলোকে ঘৰ-মাটি বিক্ৰী কৰি চিৰদিনৰ বাবে গুৱাহাটীৰ স্থায়ী বাসিন্দা হৈছে, যিহেতু দেউতাক কৰ্মসূত্ৰে গুৱাহাটীত থাকে। তাতেই নয়নমণিক পঢ়াব আৰু চিকিৎসাও কৰাব হেনো।

এখোজ দুখোজকৈ সময়ে দহ বছৰ পাৰ কৰিলে। আজি অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান দৰং মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা। সকলোৰে মাজত উল্লাস, নহ'বইনো কিয়; কলেজ জীৱনৰ আটাইতকৈ ভাল লগা দিন এইটো। তাতে আকৌ ৰাতিলৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী অমীব হাজৰিকাৰ গীতিৰ শৰাই। কলেজখনত যেন অমীবৰ গীতেৰে মোহিত হ'বলৈ, এবাৰ হেঁপাহ পলুৱাই চাবলৈ লোকে লোকাৰণ্য হৈ আছে। সঠিক সময়ত অমীব ষ্টেজত উঠিল। নিজৰ সংগীতৰ মায়াবী যাদুৰে মুখৰিত কৰিলে মহাবিদ্যালয়ৰ চৌপাশ। গাই গ'ল এটাৰ পাছত এটা

জনপ্ৰিয় গীত। প্ৰেম শেষ হোৱাৰ পাছত মানুহৰ হুতাওপৰা লাগিল ছেলফি আৰু অটোগ্ৰাফ লোৱাত। কেনেবাকৈ কমিটিৰ মানুহে গাড়ীত উঠাই লোৱাত সহায় কৰিলে সমীৰক। মহাবিদ্যালয়ৰ গেটৰ বাহিৰ হওঁতেই কাণত পৰিল এটি শিশুসুলভ কোমল চিনাকী মিঠা মাত "সমীৰ অটোগ্ৰাফ"। সি গাড়ীখন ৰখাবলৈ ক'লে। গাড়ীৰ আইনাত দেখাৰ দৰে পিছফালৰপৰা এগৰাকী যুৱতী হাতত নোটবুক আৰু এটা পেন লৈ দৌৰি আহিছে; ডিঙিত এডাল দবং কলেজৰ প্ৰফেচাৰ সকলে পিন্ধা আইকাৰ্ড। গাড়ীৰ কাষত আহি ক'লে "প্লিজ এটা অটোগ্ৰাফ দিয়ক না। অমনি তাত ভিৰত হোমাযই নোৱাৰিলো। সমীৰৰ যেন চকুযোৰ চিনাকি লাগিল। সি যেন সেই হাল চকুৰ অন্ধানতেই ইমানদিন ভ্ৰমি ফুৰিছিল। আইকাৰ্ডটোত জিলিকি থাকিল সুন্দৰ সেই চিনাকি মুখৰ ফটোখনৰ ভিতৰত তলত লিখা—

"Nayanmoni Gogoi; Assistant Professor, Political Science"

সমীৰ গাড়ীৰপৰা নামিল। তাৰ চকুত বৈ আহিল সুখ-দুখ মিশ্ৰিত দুধাৰী চকুলো। ধৰালৈ নামি আহিল এজাক মুষলধাৰ বৰষুণ। গাড়ীত বাজি উঠিল অমনিৰে পৰা চালকজনে বজাবলৈ চেষ্টা কৰি থকা দীক্ষু দাৰ জনপ্ৰিয় গীতটি —

"যাৰিষাৰে বৰষুণে তোমাৰ কথাকে ক'ব
অভিমানী প্ৰতি ফোঁটে নিৰকণা সৰাব...."

# National Education Policy 2020: A New Era in Indian Education

Uday Jyoti Dutta 5th Semester

The National Education Policy (NEP) 2020, approved by the Government of India, marks a historic reform in the education system after 34 years. It aims to make education more holistic, flexiable, and aligned with the needs of the 21st century.

One of the key highlights of NEP 2020 is the new 5+3+3+4 school structure, replacing the old 10+2 system. This structure focuses on the overall development of childrean, starting from foundational to secondary levels. Emphasis is placed on early childhood care, literacy and numeracy to strengthen the base of education.

NEP 2020 promotes multilingualism, encouraging students to learn in their mother tongue or regional language at least up to Grade 5. It also emphasizes skill development, critical thinking, creativity, and experiential learning over rote memorization.

At the higher education level, NEP 2020 introduces a flexible choice-based curriculum with multiple entry and exit options. It also proposes a single ragulatory body for higher education, increased use of technology, and expansion of vocational training.

By integrating traditional knowledge with modern learning, NEP 2020 envisions making India a global knowledge hub. If implemented effectively, it promises to tranform education into a more inclusive, equitable and student-centered system.

# অনলাইন শিক্ষাৰ ভৱিষ্যত : ধাৰণা প্ৰত্যাহ্বান আৰু সুযোগ

— পূজা বৰা
৫ম ষাণ্মাসিক

বৰ্তমান সময়ত অনলাইন শিক্ষাই আজিৰ শিক্ষা ব্যৱস্থাৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ অংশ হৈ উঠিছে. প্ৰযুক্তিৰ উন্নয়নে শিক্ষা পদ্ধতি সম্পূৰ্ণৰূপে পৰিবৰ্তন কৰিছে। শিক্ষাৰ্থী আৰু শিক্ষকে কিদৰে যোগাযোগ কৰে, শিক্ষা গ্ৰহণ কৰে আৰু পাঠদান কৰে, তাৰ এক নতুন ধাৰণাৰ উদয় হৈছে।

অনলাইন শিক্ষাৰ ধাৰণাসমূহৰ বিষয়ে বিস্তৃত ৰূপত আলোচনা কৰা হৈছে —

১. কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) ভৱিষ্যতে শিক্ষা : AI ব্যৱহাৰে শিক্ষাৰ্থী শক্তি আৰু দুৰ্বলতাৰ ভিত্তিত পাঠৰ বিষয়বস্তুসমূহ সাজু কৰে। শিক্ষাৰ্থীৰ অগ্ৰগতি অনুযায়ী বিষয়বস্তু সূচীপত্ৰ আৰু ব্যক্তিগত ভাবে সহায় কৰে।

২. VR আৰু AR ৰ প্ৰয়োগ : VR আৰু AR ব্যৱহাৰে অনলাইন ক্লাছসমূহ অধিক ইন্টাৰেক্টিভ কৰি তুলিছে। বাস্তৱ অনুকৰণৰ মাধ্যমে শিক্ষাৰ্থীৰ বুজি পোৱাত সহজ কৰি তুলিছে।

৩. মাইক্ৰ'লাৰ্নিং আৰু মোবাইল লাৰ্নিং : ইয়াৰ দ্বাৰা সৰু পাঠ্যক্ৰম আৰু মোবাইল এপ'ৰ সুবিধা দিয়া হৈছে. শিক্ষাৰ্থীয়ে যিকোনো সময়ত আৰু যিকোনো স্থানৰ পৰা শিক্ষা গ্ৰহণ কৰিব পাৰে।

৪. সহযোগিতাৰ উপকৰণ : ভিডিঅ' কনফাৰেঞ্চ, আলোচনা মঞ্চৰ ইত্যাদি অনলাইন মাধ্যমৰ সহায়ত শিক্ষাৰ্থী আৰু শিক্ষকে এক সময়তে সহযোগিতা কৰিব পাৰে।

ইয়াৰ উপৰিও আমি জানো যে অনলাইন শিক্ষাই

বহুকেইটা প্ৰত্যাহ্বানৰো সন্মুখীন হোৱা দেখিবলৈ পোৱা যায়। যেনে —

(i) ডিজিটেল পক্ষপাতিত্ব : সকলো শিক্ষাৰ্থীৰ ওচৰত উচ্চ গতিৰ ইন্টাৰনেট বা উপযুক্ত যন্ত্ৰপাতি নথকাৰ ফলত অনলাইন শিক্ষাৰ সমান সুযোগ লাভ কৰিব নোৱাৰে। যাৰ ফলত বহুতো শিক্ষাৰ্থী অনলাইন শিক্ষাৰ ক্ষেত্ৰত পিচুপৰি হৈ যায়।

(ii) শিক্ষকৰ প্ৰশিক্ষণৰ অভাৱ:- অনেক সময়ত দেখা যায় যে কিছু সংখ্যক শিক্ষকৰ অনলাইন পাঠদানৰ বাবে প্ৰয়োজনীয় দক্ষতা আৰু সহায়তা নাথাকে। গতিকে তেনে শিক্ষকক প্ৰথমতেই যথোপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা অতিশয় প্ৰয়োজনীয় হৈ পৰে।

(iii) মূল্যায়ন আৰু প্ৰতিফলনৰ সমস্যা : অনলাইন শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ বা এজন ছাত্ৰ বা ছাত্ৰীক সঠিক মূল্যায়ন কৰা আৰু তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰত মতামত দিয়াতো কঠিন হৈ পৰে।

যদিও অনলাইন শিক্ষাৰ দিশত শিক্ষাৰ্থীসকলৰ বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হয় তথাপি বৰ্তমান সময়ত এই বহু সুযোগ প্ৰদান কৰা দেখিবলৈ পোৱা যায়। ইয়াৰ বিষয়ে উল্লেখ কৰা হ'ল —

(i) বিশ্বব্যাপী শিক্ষাৰ প্ৰৱেশাধিকাৰ : বহুতো দূৰৱৰ্তী অঞ্চলৰ শিক্ষাৰ্থীয়ে অনলাইন শিক্ষাৰ মাধ্যমৰ জৰিয়তে শ্ৰেষ্ঠ বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠান শিক্ষা প্ৰদান কৰা শিক্ষকৰ দ্বাৰা শিক্ষা গ্ৰহণ কৰিব পাৰে।

(ii) আজীৱন শিক্ষাৰ সুযোগ : অনলাইন শিক্ষাৰ জৰিয়তে প্ৰাপ্ত-বয়স্ক ব্যক্তিসকলে নিজৰ দক্ষতা উন্নত কৰিব বা নতুন কৰ্মজীৱন আৰম্ভ কৰিব পাৰে, তাৰ বাবে শাৰীৰিক ক্লাচত যোৱাৰ প্ৰয়োজন নাথাকে।

(iii) ব্যয় কম কৰা শিক্ষা:- আমি দেখিবলৈ পাওঁ যে অনলাইন শিক্ষাৰ পাঠ্যক্ৰম সাধাৰণতে পৰম্পৰাগত শিক্ষাৰ তুলনাত কম খৰচৰ হয়, যাৰ ফলত দৰিদ্ৰ শিক্ষাৰ্থীসকলে অধিক শিক্ষাৰ সুযোগ লাভ কৰে।

(iv) ভৱিষ্যতৰ বাবে দক্ষতা উন্নয়ন: অনলাইন মঞ্চসমূহে পৰম্পৰাগত শিক্ষাৰ পাঠ্যক্ৰমৰ উপৰিও অন্যান্য পাঠ্যক্ৰম যেনে কোডিং ডাটা বিশ্লেষণ আৰু যোগাযোগ ইত্যাদিৰ দৰে দক্ষতাৰ ওপৰত ভিত্তি কৰি পাঠ কৰি প্ৰদান কৰে, যি আগন্তুক চাকৰিৰ ক্ষেত্ৰত সহায়ক হয়।

অনলাইন শিক্ষাৰ ভৱিষ্যত আশাপূৰ্ণ। প্ৰযুক্তিৰ সহায়ত শিক্ষা অধিক গ্ৰহণযোগ্য নমনীয় হৈছে। যদিও ডিজিটেল প্ৰৱেশাধিকাৰ, পাঠ্যৰ গুণমান আৰু শিক্ষক প্ৰশিক্ষণৰ দৰে প্ৰত্যাহ্বানসমূহ বিদ্যমান তথাপি যথোপযুক্ত ব্যৱস্থাপনা কৰিলে অনলাইন শিক্ষাৰ সুযোগ সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব পৰা যায়।

# Importance Of Sports In Students Life

Pinku Kalita 3rd Semester

Sports plays a vital role in shaping the life of students. They are not just a source of entertainment but also a powerful tool for physical, mental and social development in a world where academic pressure is constanly increasing, sports provide the much-needed in a students life.

Firstly, sports improve physical health, Regular participation in games like football, cricket, badminton or athletics stregthens the body, builds stamina, and enhances immunity. It helps students stays active and fit, preventing health problems caused by a sedentary lifestyle.

Secondly, sports contribute to mental well-being. Playing games reduces stress, sharpens concentration, and boosts self-confidence. Team sports in particular, teach discipline, cooperation, and leadership — qualities essential for success in life.

Moreover, sports in still values like patience, hard work, and sportsmanship. Winning gives joy while losing teaches resilience and the spirit to try again. These lessons go beyond the playground and help students face real-life challenges with courage.

In addition, sports bring students together, building friendships and promoting unity among diverse groups. It creates a sense of belonging and enhancing social skills.

In conclusion, sports are not just extracurricular activities but an essential part of education. A healthy mind resides in a healthy mind and sports ensure both, preparing students for a succesfull life.

# অৰ্থনীতি বিভাগ আৰু ক্ৰীড়া

~ উজ্জ্বল নেওগ
পঞ্চম ষাণ্মাসিক

**প্ৰস্তাৱনা :**

অৰ্থনীতি বিভাগৰ নাম শুনিলে সাধাৰণতে সংখ্যাৰ হেৰফেৰ, তথ্য-উপাত্তৰ বিশ্লেষণ বা পঢ়াৰ কঠোৰতা মনলৈ আহে। কিন্তু বাস্তৱত, এই বিভাগ কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, ক্ৰীড়া ক্ষেত্ৰতো নিজৰ বিশ্লেষণ বা নিজৰ বিশেষ প্ৰতিভা প্ৰদৰ্শন কৰি আহিছে। অধ্যয়নৰ সৈতে ক্ৰীড়া-কৌশলৰ সমন্বয়ে বিভাগটোক মহাবিদ্যালয়ৰ ভিন্নমুখী উন্নয়নৰে সমৃদ্ধ কৰি তুলিছে।

**ক্ৰীড়াত অংশগ্ৰহণ :**

প্ৰতিবছৰে মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত অৰ্থনীতি বিভাগে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। বিশেষকৈ ভলীবল প্ৰতিযোগিতাত বিভাগৰ দলে অতি উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। দলৰ খেলুৱৈসকলৰ মাজত পৰস্পৰ সহযোগিতা, কষ্টসহিষ্ণুতা আৰু শৃংখলাবদ্ধতা লক্ষণীয়। এই সকলো গুণৰ ফলস্বৰূপে বিভাগটোৱে ভলীবল খেলত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

তদুপৰি বিভাগটোৱে আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাতো উজ্জ্বল সাফল্যৰ নিদৰ্শন দাঙি ধৰিছে। আন্তঃ মহাবিদ্যালয়স্তৰৰ শক্তিশালী প্ৰতিযোগিতাৰ মাজত অৰ্থনীতি বিভাগে দল খেলৰে সৰ্বশ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

তদুপৰি এনে জয়ৰ ফলত কেৱল শিক্ষাৰ্থীসকলৰ ব্যক্তিগত গৌৰৱ বৃদ্ধি হোৱা নহয়, সমগ্ৰ মহাবিদ্যালয়ৰ গৌৰৱ বঢ়াই তুলিছে।

**অন্য খেলত অংশগ্ৰহণ:**

এইবিলাক সাফল্যৰ উপৰিও, বিভাগৰ শিক্ষাৰ্থীসকলে বিভিন্ন অন্য খেলতো নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিছে। দৌৰ, কাবাডী, কেৰম আদি খেলতো তেওঁলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ভাল ফলাফল অৰ্জন কৰিছে। যদিও সকলো খেলত প্ৰথম স্থান লাভ হোৱা নাই, তথাপিও প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকৰ উৎসাহ, কৌশল আৰু মনোবল সঁচাকৈয়ে প্ৰশংসনীয়।

**খেলৰ পৰা শিক্ষা:**

খেলৰ মাটিত শৃংখলা, পৰিশ্ৰম, একতা আৰু সহিষ্ণুতা শিকিব পাৰি। অৰ্থনীতি বিভাগৰ শিক্ষাৰ্থীসকলে খেলৰ পৰা এই গুণবোৰ অধ্যয়ন আৰু সামাজিক জীৱনতো প্ৰয়োগ কৰি আগবাঢ়িছে। খেলত অংশ লোৱা অধ্যয়নক অগ্ৰাহ্য কৰা নহয়, এই দুয়োটাক বৰঞ্চ সমান্তৰালভাৱে আগুৱাই অনাত বৰঙণি যোগাই বিভাগটোক এক অনন্য উদাহৰণ কৰি তুলিছে।

**উপসংহাৰ:**

অৰ্থনীতি বিভাগে শিক্ষা আৰু ক্ৰীড়াৰ মাজত এক সুমধুৰ সংযোগ স্থাপন কৰিছে। ভলীবল খেলত প্ৰথম স্থান লাভ আৰু আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত চ্যাম্পিয়নশ্বিপ অৰ্জন কৰাটো এই বিভাগৰ ঐক্য, অধ্যৱসায় আৰু যোগ্যতাৰ উজ্জ্বল প্ৰমাণ। লগতে দৌৰ, কাবাডী, কেৰম আদি খেলত সক্ৰিয় অংশগ্ৰহণে বিভাগটোক কেৱল অধ্যয়নমুখী নহয়, ক্ৰীড়ামুখী

বিভাগ বুলিও জনাজাত কৰিছে।

ভৱিষ্যতত বিভাগটোৱে এই ধৰণে প্ৰতিযোগিতামূলক খেলত অংশগ্ৰহণ কৰি নাম উজ্জ্বল কৰি তুলিব বুলি দৃঢ়ভাৱে বিশ্বাস কৰা হয়।

# স্বগত:

প্ৰত্যাশ প্ৰশান্ত তামুলী
পঞ্চম ষাণ্মাসিক

(১)
উজাগৰি নিশা,
দূৰণিৰ কোনোবা অচিন বেগঠালীত
বাজিছে ৰাগ বিহাগ।
বেদনাসিক্ত বেহেলাৰ শব্দে কঢ়িয়াইছে
বাদকৰ বিষাদ
আৰু বেহেলাৰ অনিচ্ছাকৃত প্ৰকাশ।
বহু অমিলৰ মাজতো যেন বহু মিল
মোৰ আৰু বেহেলা বাদকৰ মাজত,
মাথো মোৰ ক্ষেত্ৰত
বেহেলাক প্ৰতিস্থাপন কৰিছে
দুৰ্ভগীয়া কলমটিয়ে ।

(২)
পুৰণি যৰ বেছি পৰ নাই,
দিনমণিৰ ৰাঙলী আভাই সলাব সকলো।
বিহাগৰ সলনি
বেহেলাই আদৰিব ৰাগ ভৈৰৱ।
কিন্তু মনবোৰ !
মনবোৰে জানো কৰিব পাৰিব
পুৰণিবোৰ পাহৰি
নতুনক আদৰাৰ নৱ আয়োজনে ?

(৩)

তথাপি মনবোৰ জীয়াই থাকে
নতুন আশাৰ মাজেৰে।
মনবোৰক জীয়াই ৰাখে
প্ৰতিশ্ৰুতি নামৰ মহৌষধিয়ে
আৰু এই মনবোৰ ৰৈ থাকে
মনবোৰ বুজা মনৰ অপেক্ষাত।

# তোমাৰ বাবে

— অঙ্কিতা বৰা
৫ম ষাণ্মাসিক

দূৰৰ সখা
এটা হুমুনিয়াহে মই তেওঁলৈ চাই ৰলো
মনত হাজাৰটা প্ৰশ্ন
তেওঁৰ বাবে পুহি ৰাখিছোঁ,
হয়তো ভয় লাগে.....
মনৰ অব্যক্ত কথাবোৰ খুলি ক'বলৈ
মই ভোৰ হবে
তেওঁ হয়তো অনুভৱ নকৰিবও পাৰে,
থাকক দিয়া এইদৰে।
ফুলি উঠা গোলাপ পাহি চিঙি নানো
যদি কপালত আছে
মোৰ বাগিচাতে ফুলিব
গোলাপৰ ৰঙা ৰেণু ।।

# If Money Could Talk

~ Priyami Bora
5th Sem.

If money could talk, it would probably laugh at us first.
It would say, "You chose me every day, yet you never hold for long. I pass from one hand to another, like a traveler with no home."

Money might remind us of the countless stories it carries — from a farmer's rough pocket to a student's tiny wallet. From the joy of a first salary to the greed of corruption.

It would whisper, "I am not evil, nor am I divine. I am only a tool. Some use me to build dreams, some use me to destroy others."

If money could talk, it might also complain. "People blame me for inequality, But forget that it is human choices that Decide how I am used. I wish you valued Kindness and honesty as much as You value me."

And maybe in the end, money would sigh and say: "Remember, I can buy comfort, but never peace.
I can buy books, But never wisdom.
I can buy medicine, but never life.
Use me wisely, and you will never be my slave.

# সপোন

প্ৰিয়াংকী ভূঞা
পঞ্চম ষাণ্মাসিক

মোৰ হৃদয়ত আপুনি নামৰ
সপোনবোৰে গজালি মেলিছিল....
আপোনাক পোৱাৰ অভিমানত
তথাপিও বুজি উঠা নাছিল
এইয়া আঁচাকৈ স্বাভাৱিকতা, আন্তৰিকতা
নে ভালপোৱা !
আৱেগ, অনুভূতিয়ে যেতিয়া
ভালপোৱাৰ আভাস দিছিল,
একমাত্ৰ মই বিলীন হৈছিলো
ভালপোৱাৰ গভীৰ সাগৰতাত....
সপোনবোৰেও পাখি মেলিছিলেই,
কিন্তু, আপোনাৰ অন্তৰত থকা
বিশেষ কোনোবাই মোক সোঁৱৰাই দিছিল,
অস্তিত্বহীন মোৰ সপোনৰ কথা।
তথাপিও বিচ্ছিন্ন কৰিব পৰা নাছিলো
মনৰ পৰা....

কাৰণ,
আপুনি ফাগুন নহয়,
বসন্ত হৈ আহিছিল মোৰ জীৱনলৈ॥

# বিচনী

~জ্ঞানজ্যোতি খাউণ্ড
পঞ্চম ষাণ্মাসিক

শুৱনি আমাৰ বিচনীখনি
অতি সুন্দৰ কমতৈৰে গঢ়া
নয়ন ভৰি ভৰি চৌপানি আছে
জানো ক'ৰবাৰ পৰা
এটা জনমৰ গোটেই কাহিনী
এৰাতিৰ সপোন হৈ
মৈপানি মাজেৰে সদায় আছে
অতীতৰ বতৰা লৈ
সপোন দেশৰ বহুতো মানুহ
দিঠকত দেখা নাই
তথাপিও অতি আপোন যেন লাগে
সপোনত দেখা পায়
সপোন আৰু দিঠকৰ মানুহ
সপোনত পাতে মেলা
সপোন আৰু দিঠকিলে নাহে
কিনো মায়াৰে খেলা
দিঠকো এদিন সপোন হয়গৈ
অনন্তত হ'ব লীন
অতীতৰ লগতে আমি গুচি যাম
বজাই কৰমৰ বীন
থাকি বৈ উঠি সদায় ৰাতি
বিচনাত শুবলৈ যাম
অনন্ত জনমৰ অসংখ্য সপোন
দেখিবলৈ পাম ॥

# জীৱনৰ গান

— দেৱশ্ৰী ভূঞা
তৃতীয় ষাণ্মাষিক

উৎফুল্লিত এটি মন
দুটি সজল নয়ন
সময় সঠিক
সময়ৰ খোজ আগ বাঢ়ে।
খৰ গতিত
আমিবোৰ,
নিয়ন্ত্ৰণহীন অভিলাষী পথিক
গন্থীত মনেৰে জিৰাও সপোন মেতেলিত।
নিৰুৎসুক এটি মন
দুটি সজল নয়ন
সময় নহয় সঠিক
সময়ৰ খোজ আগ বাঢ়ে
ধীৰ গতিত।
হিয়া ভগা কোমল
গভীৰ নিশা
হিয়া ভগা কান্দোনত
বৈ আছে অশ্ৰুধাৰা

ৰচিছো জীৱনৰ গান
তোৰ সুৰত গাই যাম,
নহ'লেতো জীৱনে কৰিব গতি
সময়ৰ সোঁতত সংগ গতি ।।

# বহাগৰ বাঁহী

– শ্যামন্তিকা বৰা
তৃতীয় ষান্মাসিক

বহাগৰ বাঁহীত নিয়মি আছে
কেতেকী-শিউলিৰ অপাৰ সুবাস,
তাতেই মোৰ উদ্দীপনা,
বহাগ এক অনিশ্চিতৰ প্ৰবাস।
ঢোল পেঁপাৰ অনুৰণন
ধৰণীৰ উন্মাদন,
সেই শব্দত মোৰ হৃদয় কঁপিছে
বহাগ মোৰ বুকুত বাজিছে।
যেন বহাগৰ চিৰন্তন আলোক ধাৰা,
ৰঙালী মোৰ জীৱনৰ পূৰ্ণতা,
বসন্ত উন্মনা, সেউজীয়া
বহাগ হেপাহৰ ঠিকনা।

# আঁহতৰ নগৰী

— কংকনা দত্ত
প্ৰথম ষাণ্মাসিক

আঁহতৰ নগৰী অৰ্থাৎ
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।
তোমাৰ বুকুতেই দেখো সপোন
জীৱনত সফল হোৱাৰ।
নতুন অধ্যায়ৰ নতুন যাত্ৰা
হেজাৰ সপোন আগত ৰাখি
খোজ দিলোঁ এই আঁহতৰ নগৰীত
জ্ঞানৰ আলয় তুমি আমাৰ হেঁপাহৰ পঁজা,
আন্ধাৰ আঁতৰি পোহৰ বিচাৰি যাওঁ,
নৱ জোৱান হৈ সপোন পূৰণৰ দিশে।
ভৰি দিলোঁ তোমাৰ পদূলিত,
তোমাৰ জ্ঞানেৰে উজ্বলাম তোমাৰ নাম
আৰু আমাৰ ভূমি।
জিলিকি ৰম তোমাৰ বুকুত
জয় জয়াতু
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।

# I am enough

~ Dhriti Bhorali
3rd Semester

They call me "just a girl",
As if my worth is less,
No brother standing by my side,
Just me, with dreams which can't be hide.

When I visit relatives' home,
Their words feel cold, like heavy stones
"Only a girl", they seem to say
As if I'm less in every way.

The love I receive, they say, Its "toomuch",
But they don't feel the strain,
Of being the hope, the light, the strength
While hiding my own pain.

I wonder sometimes,
When my parents are gone
Will I stand alone in this world
With no one to lean upon?

But then I remind myself
I am enough - I always will be
A girl child, not a shadow
I'm the whole tree.

# নাৰী

~ অভিজ্ঞজিত শইকীয়া
প্ৰথম ষাণ্মাসিক

একবাৰ নাৰী হৈ চোৱা
বুজিব পাৰিবা জন্মদাতো আৰু
গৃহ ত্যাগৰ বেদনা
সহ্য কৰিব পাৰিবা
সৰ্বোপৰি যন্ত্ৰনা

একবাৰ নাৰী হৈ চোৱা
অনুভৱ কৰিব পাৰিবা
বৈধ্যৱতাৰ আৰ্তনাদ কি?

একবাৰ নাৰী হৈ চোৱা
উমান পাবা
কিদৰে বাৰে বাৰে
বিশ্বাসৰ দুৱাৰেদি
সোমাই বিশ্বাসহীনতাৰ
বন্ধ কোঠাত
হৃদয়ৰ দাবানল জ্বলে।

# সপোনৰ বাট

-শ্ৰী বিস্ময়ী বৰা
প্ৰথম ষণ্মাসিক

জীৱন এটি দীঘল যাত্ৰা
কেতিয়াবা দুখ, কেতিয়াবা হাঁহি
অন্ধকাৰৰ বুকুতো
আশাৰ প্ৰদীপ জ্বলি উঠে নিতৌ ।।

প্ৰকৃতিয়ে শিকায়
প্ৰত্যেক নিশাৰ পাছত আছে উজ্জ্বল প্ৰভাত ।
মানুহৰ হৃদয়তো অসীম শক্তি থাকে
যিয়ে গঢ়িব পাৰে নতুন কাহিনী ।।

সপোনেৰে গঢ়া মানুহৰ জীৱন
অবিৰতভাৱে দৌৰে লক্ষ্য পোৱাৰ দিশত
সহস্ৰ সহস্ৰ ব্যৰ্থতাৰ অন্তৰতো
লুকাই থাকে সফলতাৰ জ্যোতি ।।

সপোনৰ বাটেৰে আগবাঢ়ি,
মানুহে বুজে জীৱনৰ অৰ্থ
বিশ্বাস, সাহস আৰু মৰমৰ আঁচলত
গঢ়ি উঠে নতুন আশা, নতুন প্ৰভাত ।।

# A Simple Life

~ Brishti Barhoi
1st sem

I want a life that's simple and free,
spend time with loved one, that's all I need.
Parents, partner and memories to share,
where I find my peace.
Travel, eat, dress up, live life my way.
Help others when I can, every single day.
No need for fame or recognitions praise,
Not a dream to be big or famous too
Just to be a human being, kind and true.

I want to learn, to grow, to see the world a new,
To feel the sun's warmth, the breeze's gentle hue.

In simplicity, I find my streength
A Life uncluttereed, wheree love is the
length of my days, my nights, my
everey breeath,
A beautiful heaet, my greeatest wealth.

# ETERNAL

~Dipsikha Hazarika
1st sem

I do not know where I came from, or how
I arrived. I did not think I would ever
have to leave this world one day.

There are many ways to escape our troubles,
but the most profound freedom lies in our
final departure.

We are only guests in this world for a
few days; the magic of the world has
trapped us and made us forget
the eternal truth of birth and death
in the universe.

But when it arrives, there will be no
time to save any life.

There will be only death above all, and
our last line will be
at the top of everything.

# Self Confidence

~Rinkumoni Doley
3rd Semester

"Self-confidence is the first requisite to great undertaking."

—Samuel Johnson

Self-confidence is like a magical key that unlocks countless opportunities and potential within each of us. It is the cornerstone of personal growth and success, influencing how we perceive ourselves and interact with the world around us.

Self-confidence is the belief in one's ability to succeed and meet life's challenges. It is a deep rooted assurance in our judement, abilities and worth. A self-confident person possesses a positive mindset, allowing them to navigate through life's ups and downs with resilience and determination. A self confident individual sees themselves in a positive light, acknowledg-ing both strengths and weakness without dwelling on imperfections. They are not afraid to step out of their comfort zones and take calculated risks, viewing challenges as opportunities for growth.

In conclusion, self confidence is a powerful

force that shapes our perceptions, interactions, and the paths we choose in life. It is not a static trait but a skill that can be developed and strengthened over time.

# The Effectiveness of Positive Thinking: Unlocking a happier life

Trishnamoyee Bora
3rd Sem.

"Positive Thinking is like sunlight for the soul- it brightens the mind, warms the heart and helps every dream grow into possibility."
A mind full of positivity creates a heart full of peace. I firmly believe that when I am positive, it not only makes me better, but it also makes those around me better.

Positive thinking is a mental and emotional attitude that focuses on the bright side of life and expects positive results. The power of positive thinking can transform our life in any way. By adopting a positive mindset we can overcome obstacles, achieve goals and live a more fulfilling life.

Positive thinking can enhance our relationships. When we approach others with a positive attitude, we are more likely to

build strong meaningful connections. People are naturally drawn to those who exude positivity and optimism. This can lead to better personal and professional relationships.

Having a positive outlook can give a reduce a risk of having a heart attack, cancer, stroke and lung conditions. It improves the outcomes of patients with brain tumors and traumatic brain injury and boosts immune system.

In addition it can boost our success. when we believe in ourselves and our abilities, we are more likely to take risks and persue our dreams. A positive mindset and encourages us to keep pushing forward, knowing that we have the power to overcome any challenge.

The effectiveness of positive thinking is backed by science and it's benefits can be life-changing. It has the ability to transform our lives in countless ways and can unlock a happier, healthier and more fulfilling life.

Positive thinking is like a poetry of the soul, where every word whispers resilience and every line sings possibility.

# Tick-Tock Economics : Life Lessons from the clock

~Annesha Baruah
1st sem

Economists say money is scarce, but ask any student - the real scarcity is time! The clock is the strictest economist, and unlike professors, it never gives grade marks.

Think of opportunity cost. One hour scrolling reels equals one hour less of studying, sleeping, or even talking to friends. Netflix today equals backlog tomorrow! Miss the alarm? That's a "morning fiscal deficit" right there!

The law of demand is everywhere. Before exams, everyone suddenly demands "48 hours in a day", but supply stubbornly remains fixed at 24 hour. Even Einstein couldn't fix that shortage! Rainy days chai demand soars. Five-minute tea

breaks equal 30-minute debate. "Five minutes of break equal thirty minutes of inflation."

Time budgeting matters. Some students invest hours wisely: lectures, meals, & revision. Others overspend on gossip, memes, or phone scrolling, ending up in a "time deficit". Less minutes equal liquidity crisis!"

Even utility and satisfaction appear in life. Happiness comes not from using all hours, but choosing that matters most: a cup of chai, a good laugh, or a productive study session.

Finally, the interest rate of wasted time is harsh. Ignore your schedule today, and you'll repay with sleepless nights, coffee loans, and extra stress tomorrow. "Lost money can be earn back, lost time never".

so, whethere you'ree an earely bired ore a midnight spreintere, the clock is the funniest, streictest, and honest economist you'll evere meet. Hit snooze too many times, and preepare fore a "time reecession!"

# সাঁচি পাত

~জয়লীনা গগৈ
পঞ্চম ষাণ্মাসিক

এক সময় আছিল য'ত নাছিল কাগজ, কলম। সেই সময়তে সৃষ্টি হৈছিল এক বিশেষ পাত, প্ৰকৃতিৰে ভৰপূৰ অসমৰ বুকুত সাঁচি গছৰ পৰা তৈয়াৰ কৰা পুথিতে ৰচনা হৈছিল নানা জীয়া কাহিনী।

মধ্যযুগীয় অসমৰ লিখিত আহিলা হিচাপে ব্যৱহৃত এই সাঁচিপাতৰ পুথি তৈয়াৰ কৰিবলৈ প্ৰথমে ১৫-১৬ বছৰ বয়সৰ সাঁচিপাতৰ পুথি তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা সাঁচিগছ নিৰ্বাচন কৰি লোৱা হয়। প্ৰথমে সাঁচিগছৰ বাকলিবোৰ চাৰি-পাঁচ হাতমান ওখকৈ কাটি আনি বাকলিৰ ভিতৰৰ কোমল ফালটো বাহিৰলৈ দি নুৰিয়াই বান্ধি সাতদিনৰ পৰা দহ-বাৰদিনমানলৈ ৰ'দত শুকাবলৈ দিয়া হৈছিল। বাকলিবোৰ শুকাই যোৱাৰ পাছত বাহিৰৰ ফালটো শিলেৰে ঘঁহি ঘঁহি নিমজ কৰি এৰাতিমান নিয়ৰত থৈ দিয়া হৈছিল। তাৰ পাছত আকৌ ঘঁহি-ঘঁহি দুয়ো পিঠিৰ খহটা হৈ থকা অংশবোৰ মিহি কৰি তুলিছিল। তাৰ পৰা দীঘলে তিনি-চাৰি বেগেতমান আৰু বহলে এক-দুই বেগেতমান জোখত এখন এখনকৈ কাটি উলিয়াইছিল। এই এখন এখনকৈ কটা লোৱা সাঁচিপাতবোৰ বহু সময় ফটফটীয়া টেঁকা পানীত তিয়াই পিছত ৰ'দত ভালকৈ শুকুৱাই লৈ আকৌ শিলেৰে ঘঁহি ঘঁহি নিমজ কৰা হৈছিল। পিছত বটি লোৱা মাটিমাহেৰে পাতবোৰৰ ওপৰত লেও দি বা ঘঁহি ঘঁহি মিহি আৰু কোমল কৰি লোৱা হৈছিল। এই বগা সাঁচিপাতবোৰ হেঙুল আৰু হাইতালৰ ৰঙেৰে বোলাই সোণবৰণীয়া কৰা হৈছিল। সেইবাবে এই পুথি পোকে নষ্ট কৰিব নোৱাৰিছিল। তুলাপাত পুথি থোৱা পেৰাও আছিল সৰল বা আগৰ কাঠৰ। মাটিমাহৰ লেও আৰু ৰং দিয়াৰ পাছত আকৌ পাতবোৰ ৰ'দত শুকুৱাই লোৱা হৈছিল। এই সাঁচিপাত বহুকাললৈ ভালে থাকে।

# বৰ্তমান সময়ত ভৱিষ্যৎ প্ৰজন্মৰ জীৱনত মোবাইল ফোনৰ ভূমিকা

-নিকী বৰা
প্ৰথম ষাণ্মাসিক

**ভূমিকা :** প্ৰযুক্তিৰ উন্নতিৰ সৈতে মানুহৰ জীৱন যি গতিত সলনি হৈছে তাৰ অন্যতম বৃহৎ উদাহৰণ হ'ল মোবাইল ফোন। প্ৰথমতে কেৱল যোগাযোগৰ বাবে ব্যৱহৃত এই সঁজুলিটোৱে বৰ্তমান সময়ত শিক্ষা, তথ্য, বিনোদন, ব্যৱসায়, স্বাস্থ্য আৰু দৈনন্দিন জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। ২১ শ শতিকাৰ এই স্মাৰ্ট যুগত মোবাইল ফোন কেৱল এটা যন্ত্ৰ নহয়, ই হৈছে জ্ঞান দক্ষতা আৰু উদ্যমৰ এক বহুমুখী মঞ্চ।

**যোগাযোগৰ বৈপ্লৱিক উন্নতি :** মোবাইল ফোনে মানুহৰ মাজত দূৰত্ব হ্ৰাস কৰিছে। কল, মেচেজ, ভিডিঅ' কল আৰু সামাজিক মাধ্যমৰ জৰিয়তে একে সময়তে বহু লোকৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাটো সম্ভৱ হৈছে। ই শিক্ষাৰ্থীৰ ক্ষেত্ৰত শিক্ষক, সহপাঠী বা পৰিয়ালৰ সৈতে জড়িত থাকিবলৈ সহায়ক।

**শিক্ষা আৰু জ্ঞানৰ সহজ প্ৰৱেশ :** আজিৰ শিক্ষাৰ জগতত মোবাইল ফোনৰ সহায়ত অধিক উন্মুক্ত আৰু উপযোগী হৈ পৰিছে। অনলাইন ক্লাছ, ইউটিউব, MOOC (Massive Open Online Course), ই বুক আৰু শিক্ষা-এপ্লিকেশ্যনৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে স্থান, সময় বা পৰাকী বিবেচনা নকৰাকৈ অধ্যয়নৰ সুবিধা উপভোগ কৰিব পাৰিছে। মোবাইল হৈছে 'Self-Learning' বা আত্ম অধ্যয়নৰ এক উত্তম মাধ্যম।

**তথ্য আৰু খবৰ লাভ :** আজিৰ দ্ৰুত গতিত চলি থকা বিশ্বত তথ্য প্ৰাপ্তিৰ গতি আৰু বিশ্বাসযোগ্যতা অত্যন্ত গুৰুত্বপূৰ্ণ। মোবাইল ফোনৰ ইন্টাৰনেট সংযোগেৰে জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয়

খবৰ, বিজ্ঞান, প্ৰযুক্তি, ৰাজনীতি, ক্ৰীড়া, সাহিত্য আদিৰ ওপৰত সদায় আপডেট থকাটো সহজ হৈ পৰিছে।

**সময় আৰু কাৰ্যকৰীতাৰ আঁচুলি :** মোবাইলৰ কেলেণ্ডাৰ, ৰিমাইণ্ডাৰ, নোট, স্কেনাৰ, অনলাইন বেংকিং, ই-মেইল আদিৰ সহায়ত ব্যৱসায়িক কাম কাজ বা ব্যক্তিগত জীৱনৰ বহু দিশ সহজ ৰূপত পৰিচালনা কৰিব পাৰি। ইয়াৰ ফলত সময় বাচি যায় আৰু উৎপাদনশীলতা বাঢ়ে।

**উদ্যম আৰু সৃষ্টিশীলতাৰ বিকাশ :** মোবাইল ফোন হৈছে আজিৰ উদ্যমী আৰু সৃষ্টিশীল প্ৰজন্মৰ বাবে এক মঞ্চৰূপ, ফটোগ্ৰাফি, ভিডিঅ' সম্পাদনা, কনটেন্ট সৃষ্টি, অনলাইন ব্যৱসায়, ডিজিটেল মাৰ্কেটিং আদি ক্ষেত্ৰত মোবাইল ফোনে উদ্যমীসকলক বিশ্বমঞ্চত আগবঢ়োৱাৰ পথ খুলি দিছে।

**মনোৰঞ্জনৰ এক অন্যতম উৎস :** ক্লান্তিজনক জীৱনত মানসিক আনন্দ আৰু বিশ্ৰামৰ বাবে মোবাইল ফোন এটা সংগীত, চিনেমা, গেম, সামাজিক মাধ্যম আদিৰ জৰিয়তে এক অপূৰ্ব উৎস হৈ পৰিছে। সময় অতিবাহিত কৰা তথা মানসিক উদ্বেগ হ্ৰাস কৰাত ইয়াৰ ইতিবাচক ভূমিকা আছে।

**আপদকালীন সময়ত সহায়ক :** জীৱনত আকস্মিক সমস্যা বা বিপদৰ সময়ত মোবাইল ফোন ডাক্তৰ, আৰক্ষী, আত্মীয় স্বজনৰ সৈতে তৎক্ষণাৎ যোগাযোগৰ সুবিধা দিয়ে। GPS তথা লোকেশ্যন শ্বেয়াৰৰ মাধ্যমে স্থান নিৰ্ণয় কৰাটো সহজ হয়।

**উপসংহাৰ :** মোবাইল ফোন আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংশ। ই তথ্য শিক্ষা, যোগাযোগ, উদ্যম আৰু দৈনন্দিন কাৰ্যসম্পাদনত অসামান্য সহায় প্ৰদান কৰিছে।

যি যন্ত্ৰ এক সময়ত কেৱল কথা পতাৰ বাবে ব্যৱহৃত হৈছিল আজিকালি সেয়া এক পূৰ্ণাংগ ডিজিটেল সহায়কৰূপে প্ৰতিষ্ঠিত হৈছে। তথাপি, মোবাইল অধিক ব্যৱহাৰ আৰু আসক্তি এৰাই ব্যৱহাৰ কৰাটো প্ৰয়োজনীয়, সীমিত কিন্তু উদ্দেশ্যমূলক ব্যৱহাৰেই মোবাইল যেগনক সত্যাৰ্থত সহায়কৰূপে গঢ়ি তোলে।

# জীৱনৰ এক অনামী সম্পৰ্ক বন্ধুত্ব

-দিপক শইকীয়া
প্ৰথম ষন্মাসিক

বন্ধুত্ব জীৱনৰ জীপাল কৰি ৰখা এক মধুৰ সম্পৰ্ক। অকৃত্ৰিম স্নেহৰ অন্যান্য নাম্বোধন বন্ধুত্ব। বন্ধুত্ব গঢ়ি উঠে স্বাভাৱিক আৰু স্বতঃস্ফূৰ্তভাৱে। বন্ধুত্ব এটা সুযোগ নহয়, ই মিঠা দায়িত্বহে।

বন্ধুত্ব স্থায়ী কৰি ৰখাটো এটা কলা। মুৰব্বীবিদ হেনৰিব্ৰুক এবাৰে কৈছিল, জীৱনৰ কালত এজন বন্ধুত্ব যথেষ্ট, দুজন হ'লে বন্ধুৰ মাজত কি গভীৰ সম্পৰ্ক হয় সেয়া বেছিলে সেই দুজনৰ মাজত হ'ব লাগে বা কিমান বয়সৰ মানুহৰ মাজত হ'ব লাগে তাৰ কোনো বান্ধি বন্ধা নিয়ম নাই। বন্ধুত্ব মাজৰ অনাজৰী সকলো মানুহে মূল্য দিব নোৱাৰে। যিয়ে বন্ধুত্বৰ মূল্য দিব জানে, তেঁও জীয়াই ৰাখিব পাৰে, বন্ধুত্বৰ দীৰ্ঘদিনীয়া সম্পৰ্ক। বন্ধুৰ লগত সকলো কথা পাতিব পাৰি, যিকোনো মুহূৰ্ততে ভগাব পাৰি হাঁহি, কান্দোন, চকুলো আনন্দ। নোকোৱাকৈয়ে বহু কথা বুজিব পাৰে বন্ধুত্বই। সহানুভূতিয়েই বুজি পাই হৃদয়ৰ অব্যক্ত ভাষা। কোনো উদ্দেশ্যৰ প্ৰয়োজন নোহোৱাকৈয়ে বন্ধুত্ব এটা গঢ় লৈ উঠে।

পৃথিৱীৰ প্ৰত্যেকজন ব্যক্তিৰ জীৱনত বন্ধুত্বৰ প্ৰয়োজন অনুভৱ কৰে। এটা সুস্থ জীৱন-যাপনত বন্ধুত্বৰ অবিহনা কোনেও নুই কৰিব নোৱাৰে। বন্ধুত্বই জীয়াই ৰাখিব পাৰে ব্যক্তি, ঘৰ, সমাজ আৰু পৃথিৱীৰ প্ৰত্যেকজন ব্যক্তিৰ সৎ ভাব আৰু সম্প্ৰীতিৰ বাতাবৰণ।

# ভিন ভিন দেশ আৰু তাৰ মুদ্ৰাৰ নাম

— Prerona Das
1st Semester

| ক্ৰমিক নং | দেশৰ নাম | মুদ্ৰাৰ নাম |
|---|---|---|
| ১ | আফগানিস্তান | আফগানি (Afghani) |
| ২ | অষ্ট্ৰেলিয়া | অষ্ট্ৰেলিয়ান ডলাৰ |
| ৩ | বাংলাদেশ | টাকা (Taka) |
| ৪ | ভূটান | ঙালট্ৰাম (Ngultrum) |
| ৫ | ৰাছিয়া | ৰুবল (Ruble) |
| ৬ | আমেৰিকা | ডলাৰ (Dollar) |
| ৭ | জাপান | য়েন (Yen) |
| ৮ | জাৰ্মানী | ইউৰ' (Euro) |
| ৯ | শ্ৰীলংকা | ৰুপী (Rupee) |
| ১০ | ফিলিপাইনচ্ | পেছ' (Paso) |
| ১১ | ইজিপ্ত | পাউণ্ড (Pound) |
| ১২ | নেপাল | ৰুপী (Rupee) |
| ১৩ | ভাৰত | টকা |
| ১৪ | চীন | য়ুৱান (Yuan) |

| | | |
|---|---|---|
| ১৫ | কোৰিয়া | ৱন (Won) |
| ১৬ | ইটালি | ইউৰ' (Eureo) |
| ১৭ | ইৰান | ৰিয়াল (Riyal) |
| ১৮ | বাংলাদেশ | ডলাৰ (Dollare) |
| ১৯ | থাইলেণ্ড | বাট (Baht) |
| ২০ | বেলজিয়াম | ইউৰো (Eureo) |
| ২১ | ব্ৰাজিল | ৰিয়েল (Riyal) |
| ২২ | স্পেইন | ইউৰো (Eureo) |
| ২৩ | মালেচিয়া | ৰিংগিট (Ringgit) |
| ২৪ | ইংলেণ্ড | পাউণ্ড ষ্টাৰ্লিং (Pound Sterling) |
| ২৫ | মালদ্বীপ | ৰুফিয়া (Rufiyaa) |
| ২৬ | ভিয়েটনাম | ডং (Dong) |
| ২৭ | ইৰাক | ইৰাকী ডিনাৰ (Ireagi Dinere) |
| ২৮ | আৰ্জেন্টিনা | পেচ' (Peso) |
| ২৯ | ডেনমাৰ্ক | ক্ৰ'নি (kreone) |
| ৩০ | ফ্ৰান্স | ইউৰো (Eureo) |
| | | |

# নীলা খামৰ চিঠি

~প্ৰিয়াক্ষী ভূঞা
পঞ্চম ষাণ্মাসিক

প্ৰতি,

এবুকু মৰমেৰে

'আপোনালৈ'

এযোৰ চকুতেই ক'ৰবাত হেৰাই যায় নেকি মানুহ? কাৰোবাৰ এটি হাঁহিয়ে গলাব পাৰে নেকি উদং বুকু?

ৰাতিপুৱাৰ এজাক উমাল ৰ'দৰ দৰেই আহিছিল আপুনি! কোনোবাটো নীৰৱ ক্ষণত নোকোৱা বহু কথাৰে অন্তৰ সানিছিল আপুনি, নাজানো এই অনুভৱৰ নাম সঁচাকৈয়ে স্বাভাৱিকতা, আন্তৰিকতা নে ভালপোৱা! জীৱনৰ চাকনৈয়াত হঠাতে এজাক উমাল বতাহৰ দৰে লগ পোৱা আপোনাক.... কিয় যে মনটোৱে আপোন বুলি কৈ গ'ল। ডি.কে.ডি. নীলাবোৰৰ মাজত উমলি থাকোঁতে কেতিয়া জানো আঁহতৰ তলত মোৰ মনটোৱে আপোনাৰ চকুজুৰি বিচাৰি পালে গমকে নাপালো। কৈ দিব নোৱাৰা কথাবোৰ সেয়ে থাকি যায় এনেকৈয়ে.... সংগোপনে!!

আপোনাৰ খোজৰ চঞ্চলতাতে শান্ত হৈ পৰে মোৰ উন্মাদ মনৰ সেন্দুৰীয়া পদূলি!! আপুনি নাথাকিলেও বাৰিষাৰ মুষলধাৰ বৰষুণজাকত সামৰি লওঁ মই আপুনি যেন লগা হৃদস্পন্দনটো আবেলি। আপোনাৰ চকুত যেতিয়া মোৰ চকু পৰে বিশ্বাস কৰক নাজানো ক'ৰবাৰ পৰা কৃষ্ণচূড়াৰ ৰঙবোৰ আহি মোৰ বুকুতে বিয়পে। আপোনাক মাতিম বুলিও যে মাত দিয়া নহয়, এই যে ক'ম বুলিও লাজৰ আৱৰণ আঁতৰাই একো কোৱা নহয়, আপোনাক দেখাৰ লগে লগে যে বুকুৰ ভিতৰে এক শব্দ হয়, মেচেজৰ নটিফিকেচনত আপোনাৰ এটা মেচেজ আহিলেই যে মুখত হাঁহি বিৰিঙি উঠে.... এনে অনুভৱৰ নামেই যদি প্ৰেম হয়, তেন্তে হয় মযো নজনাকৈয়ে আপোনাৰ

প্ৰেমত পৰিছো। ক'ৰবাত চকুৰ ভাষাবোৰে হেনো কৈ দিয়া কথাবোৰতকৈও অধিক শক্তিশালী। ঠিক এনেদৰেই..... মই জানো তিৰৰ মাজতো আপোনাৰ চকুজুৰিয়ে মৌনে চাই দিয়ে, তেতিয়া কোনো ভাষা বা শব্দৰ প্ৰয়োজন নহয় মোক কিবা বুজাবলৈ।

আপুনি যে বাৰে বাৰে মোক কয়, "মোৰ নো কি আছে, তুমি বস্তুত ভাল ল'ৰা পোৱাৰ যোগ্য...." আচলতে কি জানে, প্ৰেমত পৰিবলৈ আপুনি ভবাৰ দৰে কোনো ভাল বা বিশেষ গুণ নালাগে, নালাগে তোমাক ভালপাওঁ বুলি কোৱা হাজাৰটা প্ৰতিশ্ৰুতি। ভিৰৰ পৰা আঁতৰি দুই এষাৰ কথাৰে যেতিয়া আপুনি হাঁহিফুল এপাহ উপহাৰ দিয়ে.... সকলোৰে কথা কৈ থকা পৰত নীৰৱ চাৱনি এটাৰে আপুনি যেতিয়া মৌনে চাই ৰয় এইখিনিয়েই যথেষ্ট, আপোনাৰ ভালপোৱা সামৰিবলৈ।

শেষত, নামঘোষৰ দৰেই ধুনীয়া হৈ থাকক সদায়, এটি হাঁহি, কাকো ভয় নকৰা এটি ধুনীয়া মন, এজাক কোমল ৰ'দৰ দৰেই জিলিকি থাকক আপুনি। জীৱনে যদি কোনোবা সীমনাত বৈ মিলাই তেন্তে আপোনাৰ মোৰ প্ৰেমৰ সাক্ষী হ'ব দে.ক.দু.ম.ৰ বাকৰি।

অন্তত, সেই নীৰৱ চাৱনিবোৰে মোৰ প্ৰেমৰ স্বীকৃতি হৈ ৰ'ব উৰুৱাই দিয়া আঁচলখনত মৰমৰ আখৰেৰে জিলিকি থাকক।

ইতি
আপোনাৰ....

# নীলা খামৰ চিঠি

- দীপশিখা দত্ত
পঞ্চম ষান্মাসিক

মৰমৰ হঁন
আলফুলে মৰমেৰে

তুমিটো জানাই আমি আৰু তৰা একেই আকাশৰে যদিও দূৰত্ব বহুত বেছি, তোমাৰ বাৰু মনত আছেনে, সেই যে এদিন হঠাৎ চকুত চকু পৰিছিল আৰু দুয়ো মিচিকিয়াই হাঁহিছিলো, নাজানো কিয় বুকুখনৰ কোনোবাখিনিত আঁহতৰ তলৰ মৃদু বতাহ এজাকে যেন আলফুলে চুই গ'ল। এই যে হঠাৎ তুমি মাত লগাইছিলা, মোৰ বিষয়ে সুধিছিলা, সেই তেতিয়াৰ পৰাই মোৰ সপোনৰ পৃথিৱীখনত যেন কেৱল তুমিয়ে বিচৰণ কৰি ফুৰিছা, সেয়ে হয়তো তোমাৰ মায়াভৰা সেই দুচকুৰ চাৱনিৰ প্ৰেমত পৰিছো। এতিয়া মোৰ হৃদয়ে কেৱল তোমাৰ মৰম বিচাৰে, সেয়ে প্ৰয়োজনবোধ কৰিলো এখন চিঠি লিখাৰ।

কেনে আছা বাৰু, মোৰ অন্তৰৰ আশা তুমি ভালে আছা। এতিয়া নিশা প্ৰায় বাৰ বাজিছে খিৰিকিৰে জুমুকিয়াই জোনটোৰ মাজত তোমাক বিচাৰিছো, বিচাৰিছো তোমাৰ আহত হ'বলৈ আৰু হাজাৰৰ মাজত সেই বিশেষজনকী হ'বলৈ, তুমি হয়তো নাজানা তোমাৰ এষাৰ মাতে, তোমাৰ এটি পলভৰা চাৱনিয়ে যে মোক সপোন দেখিবলৈ শিকালে।

মই সপোন দেখিছো, তোমাক লৈ নাজানো এই সপোনৰ বাস্তৱতা কিমান... তথাপিও পলাশৰ ৰঙেৰে ৰাঙলি হৈ

তোমাৰ হৃদয়ৰ বাটত খোজ কাঢ়িব খোজো, তুমি হয়তো নাজানা মই যে তোমাৰ বাবে মোৰ হৃদয়ত নিয়ৰ সনা শেৱালীৰ সেউজ দলিচা পাৰিছো... তুমি আহিবা এদিন আকোৱালী লম আলফুলে মৰমেৰে। জানা তোমাৰ সেই লাজুকীসনা চাৱনীয়ে মোৰ হৃদয়ত ঝংকাৰ হৈ বাজি উঠে এটি সুৰ----

Aankhon Mein teri
Ajab Si ajab Si Adayein hain----

নাজানো তোমাৰ অনুভৱি মন মোৰ বাবে উতলা হৈছে নে নাই, নাজানো মোৰ এই ৰিক্ত হৃদয়ৰ ৰিক্ততা তুমি পূৰাবা নে নাই, তথাপিও কৃষ্ণচূড়াৰ ৰঙেৰে ৰাঙলী এটি ৰঙীন সপোন সনা, সপোন আৰতি দিবলৈ ওলাইছো, প্ৰণয়ৰ বাগ্দত্ত তোমাক আপোন কৰিব পৰাৰ কপাল হয়তো মোৰ নাই, তথাপিও বিচাৰো তোমাৰ জীৱন বাটত হাতত হাত ধৰি আগুৱাবলৈ।

তুমি হয়তো ভাবিব পাৰা এইবোৰ মোৰ ৰঙীন সনা কথা কিন্তু কি জানা মই এতিয়া তোমাৰ সকলোবোৰ আপোন কৰি লৈ তোমাক আকোঁৱালি লব বিচাৰিছো, সময়ৰ নষ্ট কৰক আঁতৰাই দুবাহুৰ মাজত মূৰটো গুজি নিজকে অৰ্পি দিব খুজিছো তোমাৰ মাজতে।

বাৰু আজিলৈ আহিছো, কুশলে থাকিবা।

এবুকু মৰম আৰু ভালপোৱাৰে....

ইতি,
তোমাৰ অবুজ কবিতাৰ
অচিনাকী সুৰ

# নীলা খামৰ চিঠি

- মন ভট্টাচাৰ্য
প্ৰথম ষাণ্মাসিক

মৰমৰ প্ৰিয়গৰাকী,

পোনপ্ৰথমে মোৰ মৰম লবা। তোমাক হৃদয়ৰ ভাষা দিবলৈ শব্দৰ বাহিৰে মোৰ একোৱেই নাই। এমুঠি মৰম বুকুত বান্ধি তোমালৈ প্ৰেম পত্ৰ লিখিবলৈ ওলাইছো। আশাকৰো মোৰ প্ৰেম পত্ৰিকাৰ সুগন্ধিয়ে তোমাক এই একপক্ষীয় প্ৰেমিকৰ ক্ষুদ্ৰ আভাস দিব।

'দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়' নামটো শুনিলে মনত প্ৰেমৰ জোৱাৰ উঠি আহে। নহবনো কিয়? যিহেতু ইয়াতে হেজাৰ ডেকা গাভৰুৰ প্ৰেমৰ ভোগৰ্য্যকলাৰ মিলন ঘটিছে। আঁহতৰ তলে তলে প্ৰেমৰ গীত গাই ডেকা গাভৰুৰ দলবোৰে খোজে খোজ মিলাই মহাবিদ্যালয়লৈ আহে। মই অৰ্থনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ। মোৰো মন যায় প্ৰেমৰ দুটি গান গাবলৈ, কোনোবা বিশেষ এগৰাকীৰ লগত হৃদয়ৰ কথা পাতিবলৈ, মোৰ প্ৰেমৰ কবিতা শুনাবলৈ। কিন্তু তেতিয়া তোমাক লগ পোৱা নাছিলো। এদিন ক্লাছত হঠাৎ তোমালৈ চালো... এক অচিনাকি ভাৱনাৰে তোমালৈ চাই থাকিলো। কেনেকৈ কি হ'ল ধৰিব নোৱাৰিলো। মোৰ হৃদয়ৰ অন্ধকাৰ কোঠাকেইটা প্ৰেমৰ জ্বালামুখীৰে প্ৰকাশিত হৈ উঠিল। তোমাক নিজৰ কৰি লবলৈ বাসনা জাগি উঠিল। তেতিয়াৰ পৰাই মোৰ হৃদয়ৰ চিত্ৰশালত তোমাক সজাই থলো। সেইদিনা আমাৰ Assignment জমা দিয়াৰ দিন আছিল। তুমি মই আৰু কাককতিয়ে Assignment জমা দিবলৈ গৈছিলো। সেইদিনাখন তোমাক মই প্ৰথম 'Hi' বুলি

ভাবিছিলো । মনত আছেনে তোমাৰ...? মোৰ হাতত থকা Kurkuree পেকেটটো তোমাৰ লগত Share কৰিলো আৰু দুআষাৰমান কথা পাতিছিলো । তোমাৰ যেন ফুটুকা হাঁহিয়ে মোৰ মন যন্ত্ৰকাল কৰি তুলিছিল । মোৰ হৃদয়ৰ বেহেলা খনিত প্ৰেমৰ ঝংকাৰ উঠিছিল। অৱশেষত অভিনয়ৰ হুকুমতেই তোমাক মোৰ মনৰ কথা কবলৈ চেষ্টা কৰিছিলোঁ কিন্তু মই বিফল হলো । কিন্তু মোৰ কোনো আপত্তি নাছিল । এজাক বিৰ্ বিৰ্ বতাহে অৱশ্যে এখন কপাব পাৰে কিন্তু তাক নিজৰ কৰি লব নোৱাৰে । ময়ো ত্যাগে নিজৰ কৰিবলৈ অসমৰ্থ নহলো কেৱল তোমাৰ মনটোহে কপাব পাৰিলো । হেৰাই গলো নীলিম সাগৰৰ গভীৰতাত । সপোনৰ আলিবাটত আমাৰ কাবেং আজিবলৈ ললো । লাহে লাহে মই প্ৰেমৰ সাগৰত নিজৰ নাওঁ মেলি দিলো । তোমাৰ চকুত উলমি থকা অভিমানী বৰষুণ জাকত তিতিবলৈ মই আজন্ম ভোকাতুৰ হৈ থাকিম । তোমাক এদিন নেদেখিলে মোৰ দিন নাযায়, ৰাতি নুপুৱাই শব্দৰ মালাৰে মোৰ প্ৰেমক প্ৰকাশ কৰিব নোৱাৰো । এবাৰ হিয়া খুলি হাঁহি দিবা মোৰ বাবে, তোমাৰ ওঁঠৰ ৰঙালিত জিলিকি থাকিম । মোৰ দুখৰ পাহাৰখনিত তোমাৰ গোলাপ ফুলিবলৈ অদায় চেষ্টা কৰি যাম । অলপ বেছিকৈ কলো যদি মাফ কৰি দিবা---!!

সপোন দেখিছিলো উৰণীয়া পখীহৈ দুয়োজনে দূৰ আকাশলৈ উৰি ফুৰাৰ, গোপনে সজতনে তোমাক মোৰ হৃদয়ত ৰখাৰ সপোন :: মোৰ বুকুৰ মাজত লৈ উঁহৰে ৰাতি উজাগৰে থকাৰ সপোন দেখিছিলো ।

কবলৈতো আৰু বহুত কথাই আছিল। কিন্তু এতিয়ায়ে কেৱল তোমাৰ নামটো লৈহে জীয়াই আছো। মোৰ হৃদয়ৰ প্ৰতিটো ভাঁজতে কেৱল তুমি... মোৰ সপোন দিঠক সকলোতে কেৱল তুমি......

You are the most Special pereson in my libe...

ইতি,
তোমাৰ একপক্ষীয় প্ৰেমিক

# নীলা খামৰ চিঠি

- নিকী বৰা
প্ৰথম ষাণ্মাসিক

প্ৰতি,
প্ৰিয়জন...

আশাকৰোঁ তুমি ভালেই আছা। মোৰ ভালেই আছে। মই আৰু লুকাই ৰাখিব নোৱাৰোঁ তোমাক মনৰ কথাখিনি কৈ দিব বিচাৰিছোঁ আজি সেইবাবে কলমটো হাতত লৈ বগা কাগজখনিৰ বুকুত নীলা চিয়াঁহীয়ে তোমালৈ প্ৰতিচ্ছবি আঁকিবলৈ লৈছো। তুমি জানানে প্ৰথম দেখাৰে পৰা তোমাক মোৰ ভাল লাগিছিল। মোৰ মনটো কেতিয়া তোমাৰ ফালে গৈছিল মই গমকে নাপালো। আঁহতৰ তলত কলেজৰ হৈচৈনিৰ্জনত শান্ত প্ৰকৃতিৰ লৰাজনক প্ৰথম দেখা আগষ্ট মাহৰ সেই ৰাতিপুৱাটোৱে মোক আজিও বৰকৈ আমনি কৰে। তোমাৰ লগত ঘটা প্ৰতিটো ক্ষণৰ বিষয়ে মই মোৰ ডায়েৰীখনক কৈছো, নাজানো তোমাৰ বাবে মোৰ অনুভৱটো ভাললগা নে ভালপোৱা কেনেধৰণৰ কিন্তু মোৰ বাবে মোৰ ভালপোৱা পৰিধিবিহীন এক পবিত্ৰ আবেগ। তুমি চাগে সেই দৃষ্টিৰে কোনোদিনে মোক চোৱা নাই মইয়ো আমাৰ মাজত থকা ভাল সম্পৰ্কটোৰ বাবেই তোমাক মোৰ মনৰ কথা কʼব পৰা নাছিলো। কথাবোৰ কʼব বিচাৰোঁ কিন্তু থমকি ৰওঁ। কথাবোৰ সহজ যদিও জটিল তুমি বা মোক কি বুলি ভাবা আগবাঢ়িব খুজিও পিছুৱাই দিওঁ ভয় লাগে। সেয়ে আজি লিখিছো তোমালৈ, কিয়নো তোমাৰ আগত হয়তো মই এইবোৰ কʼব নোৱাৰিম বাবে এই চিঠিখন তোমালৈ লিখিছো।

তুমি দুখীয়া বাবে তোমাক ভাল নালাগে, তোমাক ভাল পাওঁ বাবেই তুমি দুখিয়া। তুমি সদায় ভালে থাকা। বাকী আজিলৈ ইমানতে এৰিছো। এই প্ৰস্তাৱ গ্ৰহণ নকৰিলেও মোৰ কোনো আক্ষেপ নাই। ভৱিষ্যতে কেতিয়াবা লগ হ'লে যেন তুমি অচিনাকী হৈ নোযোৱা।

ইতি,

তোমাৰ অচিনাকী প্ৰেমিকা
















